# দ্বিতীয় অধ্যায়

# ২.০০ কীৰ্তন-ঘোষা ঃ এক সামগ্ৰিক পৰিচয়

## ২.০১ কীৰ্তন-ঘোষা ৰচনাৰ উদ্দেশ্য ঃ

আজিৰ পৰা পাঁচশতাধিক বৰ্ষৰো আগেয়ে একশৰণ হৰিনাম ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে ৰচিত হোৱা সৰ্বাধিক জনপ্ৰিয় ধৰ্মকাব্য হৈছে শঙ্কৰদেৱৰ কীৰ্তন-ঘোষা। এই পুথিখনি ৰচনাৰ মুখ্য উদ্দেশ্য আছিল মধ্যযুগীয় সম-সাময়িক সমাজখনৰ ধৰ্মীয় বিশৃংখলতা দূৰ কৰি অনাখৰী লোক-সকলক জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সৰলভাৱে ধৰ্মীয় সম অধিকাৰ বাণী প্ৰদান কৰা আৰু সৰল ভাষাত অৱগত কৰা। একেজন হৰিক সকলোৱে সমভাৱে ভক্তি কৰিবৰ নিমিত্তে সমূহীয়া শ্ৰৱণ-কীৰ্তনৰ উপযোগীকৈ শুৱলা সহজবোধ্য ভাষাত শঙ্কৰদেৱে উক্ত পুথিখনি ৰচনা কৰিছিল। শঙ্কৰদেৱে কৈছিল-

যদ্যাপি ভকতি নৱবিধ মাধৱৰ।
শ্ৰৱণ কীৰ্তন তাতো মহাশ্ৰেষ্ঠতৰ।।
অৰ্চ্চন বন্দন ধ্যান সমস্ততে কৰি।
যশ কীৰ্তনত আতি তুষ্ট হোন্ত হৰি।।৩৮ (শ্ৰীমদ্‌ভাগৱত প্ৰথম স্কন্ধ)

দৈত্যাৰি ঠাকুৰেও কীৰ্তন-ঘোষাৰ ৰচনাৰ উদ্দেশ্য সম্পৰ্কত মত প্ৰকাশ কৰিছে এনেদৰে—

হৰিত ভকতি আবে কৰিবে প্ৰবন্ধ।
প্ৰথম কৰিলন্ত কীৰ্তনৰ ছন্দ।।
অনন্তৰে কিছু লোকে ভকতি ধৰিল।
তেবে আনো নানা বিধ ছন্দ নিৰূপিল।।
কতো গীত পদ কতো ভটিমা চপয়।
কথা শ্লোক আদি কৰিলন্ত মহাশয়।।
নিজ কৃপাগুণে লোক তাৰিবাক মনে।
প্ৰচাৰিলা ভক্তি ধৰ্ম তাৰিবাক মনে।।৩৪।।[১]

শঙ্কৰদেৱে অসামান্য কবিত্ব প্ৰতিভাৰে নৱবৈষ্ণৱ ধৰ্মৰ প্ৰধান বাণীসমূহ কীৰ্তন ঘোষাৰ মাজত সংৰক্ষণ কৰিলে। একশৰণ হৰিনাম ধৰ্মত নৱধা ভক্তিৰ ভিতৰত শ্ৰৱণ আৰু কীৰ্তনক প্ৰধান স্থান দিয়া হৈছে। সম-সাময়িক সমাজ সংৰচনাত অশিক্ষিত চহা শ্ৰেণীৰ মানুহৰ ভক্তি সাধনাৰ বাবে একমাত্ৰ সহজসাধ্য মাৰ্গ হিচাপে শ্ৰৱণ, কীৰ্তনেই স্বীকৃত হৈছিল। শ্ৰৱণ আৰু কীৰ্তনৰ অৰ্থে সৰ্বসাধাৰণৰ সহজবোধ্য

১. ৰাজমোহন নাথ (সম্পা.), *শ্ৰীশ্ৰী শঙ্কৰদেৱ-মাধৱদেৱৰ চৰিত*, পৃ. ২০

কৈ সুৰ আৰোপিত শুৱলা ভাষা তথা মনোৰঞ্জক কাহিনীৰ আধাৰত শঙ্কৰদেৱে কীৰ্তন-ঘোষা ৰচনা কৰিলে। ইয়াৰ উদ্দেশ্যই হ'ল বিশৃংখলাপূৰ্ণ জনগণক সমূহীয়া পাঠৰ আনন্দ, বন্ধুত্ব, সমতা আৰু একতাৰ লগতে ধৰ্মীয় আবেগেৰে পুষ্ট বন্ধনেৰে দৃঢ়কৈ একত্ৰিত কৰি ৰখা। উক্ত বিশাল উদ্দেশ্যত কীৰ্তন-পাঠৰ শ্ৰৱণ আৰু কীৰ্তনে সফলতা প্ৰদান কৰিছিল।

### ২.০২ কীৰ্তন-ঘোষা ৰচনাৰ সময় ঃ

কীৰ্তন-ঘোষা ৰচনাৰ সময় কেতিয়া আৰম্ভণি কৰা হৈছিল ইত্যাদি সম্পৰ্কে গৱেষকসকলৰ মাজত মতদ্বৈধতা আছে। কিন্তু চৰিতপুথি সমূহৰ কাষ চাপিলে আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ আলোচনা আঁত ধৰি ক'ব পাৰি শঙ্কৰদেৱে প্ৰথমবাৰ তীৰ্থভ্ৰমণৰ পৰা ঘুৰি আহি কীৰ্তন-পুথি ৰচনাত হাত দিছিল। প্ৰথমা পত্নী সূৰ্য্যাৱতীৰ মৃত্যুৰ পাছত শঙ্কৰদেৱে সংসাৰৰ প্ৰতি বীতশ্ৰদ্ধ হৈ বাৰবছৰ কাল নানা তীৰ্থ ভ্ৰমণ কৰাৰ কথা চৰিত পুথিত উল্লেখ আছে। তীৰ্থ ভ্ৰমণৰ অন্তত শঙ্কৰদেৱে স্বগৃহলৈ ঘুৰি অহাৰ পাছতে তেওঁক বাৰভূঞা বিষয়বাব গ্ৰহণ কৰিবলৈ অৰ্থাৎ শাসন কাৰ্য চৰ্চা কৰিবলৈ কোৱা হৈছিল। কিন্তু তেওঁ এই কথাৰ বিৰোধিতা কৰে।

> শঙ্কৰে উত্তৰ দিলে, ‘মোক আৰু বিষয় নালাগে, ঈশ্বৰৰ নাম লৈ বহি থাকিবৰহে মোৰ ইচ্ছা।” ইয়াৰ পিছত পিতৃদেৱ কুসুম্বৰৰ সৰিয়হ-তলিত শঙ্কৰদেৱে নামঘৰ-মণিকূট সজাই তিনি প্ৰসঙ্গ কৰি হৰিনাম শ্ৰৱণ-কীৰ্তন সুখেৰে কাল কটাবলৈ ধৰিলে।[২]

গতিকে শ্ৰৱণ-কীৰ্তনৰ উদ্দেশ্যে এখন নাম প্ৰসঙ্গমূলক ঘোষা পুথিৰ নিতান্তই আৱশ্যক হৈছিল। ইয়াৰ পাছত চৰিত পুথিত উল্লেখ থকা মতে জগদীশ মিশ্ৰ নামৰ এজন ব্ৰাহ্মণে বাৰাণসীত শাস্ত্ৰ অধ্যয়ন কৰি পুৰীত স্বৰ্গীয় জগন্নাথদেৱক ভাগৱত শুনাবলৈ গৈছিল। কিন্তু জগন্নাথ দেৱৰ পৰা স্বপ্নাদেশ লাভ কৰি তেওঁ গাংমৌলৈ গৈ শঙ্কৰদেৱকহে ভাগৱত শুনালেগৈ।

> বৰদোৱাত আহি থকা এই সময়তে তিৰহুতৰ জগদীশ মিশ্ৰই স্বপ্ন-নিৰ্দিষ্ট হৈ আহি শ্ৰীশ্ৰী শঙ্কৰক শ্ৰীধৰ স্বামীৰ টীকা সম্বলিত সম্পূৰ্ণ ভাগৱত পুৰাণ পাঠ কৰি শুনায়। এই ভাগৱত পুৰাণৰ সম্পূৰ্ণ পাঠ আৰু আলোচনাই শ্ৰীমন্ত শঙ্কৰক ভক্তিধৰ্মৰ আধাৰ স্থাপন কৰিবলৈ সমল দিলে।

২. লক্ষ্মীনাথ বেজবৰুৱা, *শ্ৰীশ্ৰী শঙ্কৰদেৱ আৰু মাধৱদেৱ*, পৃ. ৩২

দৈত্যাৰিয়ে লিখিছে ঃ

বিচাৰ কৰিয়া পাছে ভাগৱত গ্ৰন্থ।
কৰিলন্ত শঙ্কৰে প্ৰকাশ ভক্তি পন্থ।।৩৯
হৰিত ভকতি আবে কৰিব প্ৰৱন্ধ।
প্ৰথমতে কৰিলন্ত কীৰ্তনৰ ছন্দ।।

... ... ...

গতিকে ভাগৱত গ্ৰন্থৰ এই গভীৰ আৰু বহল অধ্যয়নৰ ভিত্তিত, তীৰ্থভ্ৰমণৰ পৰা প্ৰাপ্ত অভিজ্ঞতাৰে শ্ৰীশংকৰদেৱে ভক্তিধৰ্ম মাৰ্গ এটি ৰচনা কৰিলে।[৩]

এই মাৰ্গৰ প্ৰধান সহায় হ'ল কীৰ্তন পুথিৰ বিবিধ খণ্ডৰ ৰচনা। বেজবৰুৱা মতেও—

সম্পূৰ্ণ ভাগৱত গ্ৰন্থখনি শঙ্কৰদেৱে এইদৰে পাই, সকলোৰে সুবিধাৰ নিমিত্তে তাৰ পদ কৰিবলৈ স্থিৰ কৰিলে। প্ৰথমতে তেওঁ তাৰপৰা কীৰ্তনৰ 'পাষণ্ড মৰ্দ্দন' খণ্ড ৰচনা কৰি, সকলো ভক্তৰ স্থিৰ কৰিলন্ত হিয়া।।' তাৰ পিছত 'অজামিল উপাখ্যান' ৰচনা কৰি নামৰ মহিমা ব্যক্ত কৰিলে। তাৰ পিছত 'প্ৰ াদ চৰিত্ৰ' ছোৱা কৰিলে।

মহেশ্বৰ নেওগৰ মতে কীৰ্তন-ঘোষা ৰচনাৰ ভাগ কেইটা হ'ল—

১) আদি বা বাৰভূঞা ৰাজ্যত কটোৱা কাল- তাৰুণ্যৰ চপলতা আৰু সমৃদ্ধিভৰা কাল (১৪৩৮ শকলৈকে বিস্তৃত)ঃ

(ক) কীৰ্তন-ঘোষাৰ উৰেষা বৰ্ণন (ব্ৰহ্মপুৰাণ),

(খ) কীৰ্তন-ঘোষাৰ অজামিল-উপাখ্যান (ষষ্ঠ স্কন্ধ), প্ৰ াদ-চৰিত্ৰ (তৃতীয়, সপ্তম স্কন্ধ), হৰমোহন, বলি-ছলন, গজেন্দ্ৰোপাখ্যান (অষ্টম স্কন্ধ), চৰ্তুবিংশতি অৱতাৰ বৰ্ণন, ধ্যান-বৰ্ণন।

২) মধ্য বা অসম ৰাজ্যত কটোৱা কাল- অশান্তি, বিৰোধী আত্ম-সমালোচনা আৰু শেহান্তৰত অগ্ৰসৰৰ কাল (১৪৩৮ শকৰ পৰা ১৪৬৫ শক মানলৈকে) ঃ

(ক) কীৰ্তন-ঘোষাৰ পাষণ্ড-মৰ্দন, নাম-অপৰাধ (ভাগৱত, পদ্ম, বিষ্ণু ধৰ্মোত্তৰ, বৃহন্নাৰদীয় পুৰাণ আৰু সুত-সংহিতা)

(খ) কীৰ্তন-ঘোষাৰ শিশুলীলা, ৰাস-ক্ৰীড়া, কংস-বধ, গোপী-উদ্ধৱ সংবাদ, কুঁজীৰ বাঞ্ছাপূৰণ, অক্ৰুৰৰ বাঞ্ছা পূৰণ (ভাগৱতৰ দশম স্কন্ধ)

৩. তীৰ্থনাথ শৰ্মা (সম্পা.), *কীৰ্তন-ঘোষা আৰু নামঘোষাৰ পাতনি*, পৃ. ১১

৩) শেষ বা কোঁচ ৰাজ্যত কটোৱা কাল— অপেক্ষাকৃত শান্তি, ভক্তি আন্দোলনৰ সম্পূৰ্ণতা লাভ আৰু শঙ্কৰদেৱৰ পূৰ্ণতম মনোবিকাশৰ কাল (১৪৬৫ শক মানৰ পৰা ১৪৯০ শকলৈকে) ঃ

(ক) কীৰ্তন-ঘোষাৰ জৰাসন্ধ-যুদ্ধ, কালযৱন-বধ, মুচুকুন্দ স্তুতি, স্যমন্ত-হৰণ, নাৰদৰ কৃষ্ণ-দৰ্শন, বিপ্ৰপুত্ৰ-আনয়ন, দামোদৰ বিপ্ৰৰ আখ্যান, দৈৱকীৰ পুত্ৰ-আনয়ন, বেদস্তুতি, লীলা-মালা, ৰুক্মিণীৰ প্ৰেম-কলহ, ভৃগু পৰীক্ষা (দশম স্কন্ধ; শেষ দুইখণ্ড বৰ্তমানে কীৰ্তন-ঘোষাৰ পৰা বহিস্কৃত), শ্ৰীকৃষ্ণৰ বৈকুণ্ঠপ্ৰয়াণ, ভাগৱতৰ তাৎপৰ্য। [ক]

সকলো মত বিলাই চালে শঙ্কৰদেৱে প্ৰথমবাৰ তীৰ্থভ্ৰমণৰ পৰা ঘূৰি আহি বৰদোৱাত বসবাস কৰাৰ সময়চোৱাতেই প্ৰথম কীৰ্তনৰ ৰচনাত মনোনিৱেশ কৰে। নেওগে উল্লেখ কৰিছে, 'ওড়েযাৰ একৈশটা কীৰ্তন,'' 'পাষণ্ড-মৰ্দ্দন', 'অজামিল উপাখ্যান' আৰু প্ৰ াদ চৰিত্ৰ'কে ধৰি কীৰ্তন-ঘোষাৰ প্ৰধান কেইটামান কীৰ্তন বৰদোৱাতেই শঙ্কৰদেৱে ৰচনা কৰিছিল।

নগেন শইকীয়াই পৰৱৰ্ত্তী সময়ত শঙ্কৰদেৱৰ ৰচনাৰ কালানুক্ৰমিক ভাগ কৰিছে আৰু সেইমতে উল্লেখ থকা কীৰ্তন-ঘোষাৰ ৰচনাৰ সময় উল্লেখ কৰা হ'ল—

ক) **প্ৰথমপৰ্ব ঃ** বাৰভূঞা ৰাজ্যত থকাৰ সময় আৰম্ভৰ পৰা ১৫৬১ খ্ৰীষ্টাব্দ পৰ্যন্ত হৰিশ্চন্দ্ৰ উপাখ্যান, ভক্তিপ্ৰদীপ, ঊৰেষা বৰ্ণন, ৰুক্মিণী হৰণ কাব্য, বৰগীত, অমৃত মন্থন, কীৰ্তন-ঘোষাৰ অন্তৰ্গত অজামিল উপাখ্যানকে ধৰি ৭ টি অধ্যায় (অধ্যায়ৰ নাম পাছত দিয়া হৈছে)

খ) **দ্বিতীয় পৰ্ব ঃ** আহোম ৰাজ্যত থকাৰ সময় ১৫১৬-১৫৪৩ খ্ৰীষ্টাব্দ ঃ
পত্নীপ্ৰসাদ নাটৰ উপৰি কীৰ্তন-ঘোষাৰ অৰ্ন্তগত পাষণ্ড মৰ্দন, নাম অপৰাধ, শিশুলীলা, কালীয়দমন, ৰাসক্ৰীড়া, কংসবধ, গোপী-উদ্ধৱ সংবাদ, কুঁজীৰ বাঞ্ছাপূৰণ, অক্ৰুৰৰ বাঞ্ছা পূৰণ।

গ) **তৃতীয় পৰ্ব ঃ** কোঁচ ৰাজ্যত থকাৰ সময় ১৫৪৩-১৫৬৮ খ্ৰীষ্টাব্দ ঃ
কীৰ্তন-ঘোষাৰ অন্তৰ্গত বলিছলন, জৰাসন্ধযুদ্ধ, কাল যৱন বধ, মুচুকুন্দ স্তুতি, স্যমন্তক হৰণ, নাৰদৰ কৃষ্ণ দৰ্শন, বিপ্ৰপুত্ৰ-আনয়ন, দৈৱকী পুত্ৰ আনয়ন, দামোদৰ বিপ্ৰাখ্যান,

**প্ৰসঙ্গটোকা ঃ** (ক) ৪৪ বছৰ বয়সত গুৰুজনা তীৰ্থৰ পৰা ঘূৰি আহি আলিপুখুৰী পায়হি; ৪৫ বছৰ বয়সত দ্বিতীয় বিবাহ সম্পন্ন কৰে আৰু বিয়াৰ পিছত প্ৰায় ছয়বছৰ আলিপুখুৰীত আৰু গজলাসুঁতিত থাকি প্ৰায় তিনিকুৰি বছৰ বয়সত বৰদোৱাত গজগজীয়াকৈ সত্ৰ পাতেহি। বৰদোৱাত জগদীশ মিশ্ৰই শঙ্কৰক ভাগৱত দিয়েহি। কাজেই গুৰুজনা বৰদোৱাত এতিয়া যি সাতবছৰ থাকিল, তাৰ ভিতৰতেহে কীৰ্ত্তনৰ সৰহ ভাগটিৰ কাম সম্পূৰ্ণ কৰিছিল। সেইকাৰণে ১৫৩১ ৰ পৰা ১৫৩৮ শকৰ ভিতৰত এই কাম হৈছিল বুলি ধৰিলেহে সমীচিন হ'ব। (মহেশ্বৰ নেওগ, *শ্ৰীশ্ৰী শঙ্কৰদেৱ*, পৃ. ৫০, ১০৭-১০৯)

> বেদ-স্তুতি শিশুলীলা মালা, শ্ৰীকৃষ্ণৰ বৈকুণ্ঠপ্ৰয়াণ, ভাগৱতৰ তাৎপৰ্য, ভৃগুপৰীক্ষা আৰু ৰুক্মিণী প্ৰেমকলহ। [৪]

যতীন্দ্ৰনাথ গোস্বামী সম্পাদিত কীৰ্তন-ঘোষা আৰু নামঘোষাৰ পাতনিতো উল্লেখ আছে—

> শ্ৰীশ্ৰী শঙ্কৰদেৱে ধৰ্ম্মজীৱনৰ আগছোৱা কালতে বৰদোৱাত কীৰ্তনৰ ভালেখিনি অংশ ৰচনা কৰে।[৫]

সেইদৰে কৰবী ডেকা হাজৰিকা সম্পাদিত কীৰ্তন-ঘোষা আৰু নামঘোষা পুথিতো ৰচনাৰ সময় সম্পৰ্কে এই উল্লেখ আছে—

> জগদীশ মিশ্ৰৰ পৰা ভাগৱতখনি পোৱা পিছত ইয়াৰ বিভিন্ন কাহিনীৰ আধাৰত শংকৰদেৱে বিচিত্ৰ ছন্দ আৰু নৱৰসেৰে ভৰাই সমজুৱাকৈ গাবলৈ আৰু পাঠ কৰিবলৈ সুচলভাৱে সজাই কীৰ্তনৰ খণ্ড সমূহ ৰচনা কৰিবলৈ লয়। ওৰে জীৱনেই ৰচনাকাৰ্য চলিছিল বুলি ক'ব পাৰি। [৬]

গতিকে সকলোবিলাক মত চালি জাৰি চাই ক'ব পাৰি শঙ্কৰদেৱৰ কীৰ্তন-ঘোষা ৰচনাৰ আৰম্ভণি কাল শঙ্কৰদেৱে তীৰ্থভ্ৰমণৰ পৰা ঘূৰি অহাৰ পিছতে বৰদোৱাত জগদীশ মিশ্ৰৰ পৰা ভাগৱত লাভ কৰি সম্পূৰ্ণ অধ্যয়নৰ পাছত কীৰ্তন ৰচনাৰ কামত হাত দিছিল। কীৰ্তনৰ বিবিধ খণ্ড শঙ্কৰদেৱে জীৱনকালৰ বিভিন্ন সময়ত ৰচনা কৰে। বিভিন্ন ৰাজনৈতিক আৰু অৰ্থনৈতিক কাৰণত, অসমৰ ধৰ্মীয় অস্থিৰ পৰিস্থিতিৰ ফলত তেওঁ জীৱন কালত বিভিন্ন স্থানত বসতি কৰিবলগীয়া হৈছিল। গতিকে ওৰে জীৱন ধৰ্ম সাধনাৰ লক্ষ্যৰে এক বিশাল সাংস্কৃতিক মন আৰু পৰিশ্ৰমী চেতনাৰে শঙ্কৰদেৱে অসমৰ বিভিন্ন অঞ্চলত বিভিন্ন সময়ত কীৰ্তন-ঘোষাৰ খণ্ড সমূহ ৰচনা কৰিছিল।

**২.০৩ কীৰ্তন-ঘোষাৰ সংকলন আৰু সম্পাদনাৰ কাৰণ ঃ**

আগৰ আলোচনাত দেখুওৱা হৈছে যে শঙ্কৰদেৱে তেওঁৰ জীৱদ্দশাৰ বিভিন্ন কালত কীৰ্তনৰ অধ্যায়সমূহ ৰচনা কৰিছিল। সেয়ে খণ্ডসমূহ পৃথকে পৃথকে সিচঁৰতি হৈ আছিল। শঙ্কৰদেৱৰ ইচ্ছা আছিল সকলো খণ্ড একত্ৰকৰি কীৰ্তন-ঘোষা পুথিখনি সংকলন কৰাৰ আৰু সেই দায়িত্ব তেঁও মাধৱদেৱক দিছিল। কিন্তু মাধৱদেৱে বেহাৰলৈ যাবলগীয়া হোৱাৰ বাবে সেই কাৰ্য সম্পাদন কৰিব নোৱাৰিলে আৰু ভাগিন ৰামচৰণক তাৰ দায়িত্ব দিলে। ৰামচৰণ ঠাকুৰে প্ৰায় এবছৰমান ধৰি বিভিন্ন ঠাইৰ পৰা কীৰ্তন ঘোষাৰ

---

৪. লক্ষ্মীনাথ বেজবৰুৱা, *শ্ৰীশ্ৰী শঙ্কৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱ*, পৃ. ৩৬

৫. যতীন্দ্ৰনাথ গোস্বামী (সম্পা.), *কীৰ্তন-ঘোষা আৰু নামঘোষা পাতনি*, পৃ. ১০

৬. কৰবী ডেকা হাজৰিকা, *কীৰ্তন-ঘোষা আৰু নামঘোষাৰ পাতনি পৃষ্ঠা।*

খণ্ডবোৰ একত্রিত কৰি লিখি আনি ১৫১৮ শক (১৫৯৬ চন)ৰ জেঠ মাহত মাধৱ দেৱৰ হাতত অৰ্পণ কৰে।[খ]

ৰামচৰণ ঠাকুৰে কীৰ্তনৰ খণ্ডসমূহ একগোট কৰি আনিছিল যদিও পুথিখনিৰ সম্পাদনা মাধৱদেৱেহে কৰিছিল। এই প্ৰসংগত দৈত্যাৰি ঠাকুৰে স্পষ্ট মত উল্লেখ কৰিছে এনেদৰে-

পাছে কতোদিনে শ্ৰদ্ধা ভৈল মনে
ৰামচৰণৰ জান।
ঠাই ঠাই ঘোষা কীৰ্তন আছয়
কৰো আনি একথান।।৩।।
... ... ...
ৰামচৰণে আক একঠাই কৰি
মোৰে সে কাম কৰিলা।।২৩।।
এহিবুলি পুথি মেলি চাহিলন্ত
কৈত কোন কথা আছে।[৭]

নামঘৰত সামূহিক কীৰ্তনৰ দ্বাৰা জনসাধাৰণে সহজভাৱে একশৰণ হৰিনাম ধৰ্মৰ মূল বক্তব্য বুজি পাবৰ বাবেই শঙ্কৰদেৱে কীৰ্তন-ঘোষা পুথিখন ৰচনা কৰিছিল। ইয়াৰ খণ্ড সমূহ য'ত ত'ত সিঁচৰতি হৈ থাকিলে সম্ভৱত ঃ হেৰাই যোৱাৰ সম্ভাৱনা আৰু যিহেতু একশৰণ হৰিনাম ধৰ্মৰ মূল তত্ত্ব অতিসৰল ভাৱে ঘোষা পুথিখনৰ মাজত নিহিত থকাৰ বাবেই এই পুথিখনৰ সংকলন আৰু সম্পাদনা জৰুৰী আছিল। ফলস্বৰূপে অসমীয়া সমাজে কীৰ্তন-ঘোষা পুথিখনি পূৰ্ণাঙ্গ ভাৱে সম্পাদিত ৰূপত লাভ কৰিবলৈ সক্ষম হয়।

### ২.০৪ কীৰ্তন-ঘোষাৰ খণ্ড সংখ্যা ঃ

কীৰ্তন-ঘোষাৰ অন্তৰ্গত খণ্ড সংখ্যা লৈয়ো বহুজনৰ ভিন্ন মত প্ৰাপ্ত হৈছে। অসমত ছপাশালৰ প্ৰৱৰ্তন হোৱাৰ পৰা আৰম্ভ কৰি বৰ্তমান সময়লৈকে বিভিন্নজনে কীৰ্তন-ঘোষা পুথিখনি ছপাৰূপত সম্পাদনা

---

৭. ৰাম মোহন নাথ, শ্ৰীশ্ৰীশঙ্কৰদেৱ-মাধৱদেৱ চৰিত, পৃ. ৩৪২-৩৪৫

**প্ৰসঙ্গটোকা ঃ** (খ) কীৰ্তন-ঘোষা বিবিধ সময়ত ৰচিত আৰু শঙ্কৰদেৱৰ মৃত্যুৰ সময়ত সিবিলাক নানা থানত সিচঁৰিত হৈ পৰি আছিল। পিছত মাধৱদেৱে ভাগিন ৰামচৰণ ঠাকুৰৰ হতুৱাই সকলোখিনি একেলগ কৰায়। বৰ্তমানে 'কীৰ্তন-ঘোষা'ৰ বাহিৰত থকা ৰুক্মিণীদেৱীৰ প্ৰেম-কলহৰ কীৰ্তন ৰামচৰণে বিচাৰি নোপোৱা বাবে মাধৱে হেনো কৈছিল, 'নাপালা ভালেই হ'ল, সি যি ঠাইলৈ যাব লাগে গ'ল।' সম্ভৱত মাধৱদেৱে এইটি আখ্যান 'কীৰ্তন-ঘোষা'ৰ অন্তৰ্গত হ'ব নালাগে বুলি বিবেচনা কৰিছিল।(মহেশ্বৰ নেওগ, *অসমীয়া সাহিত্যৰ ৰূপৰেখা*, পৃ. ৮৬)

কৰি উলিয়াইছে। আজি পৰ্যন্ত লক্ষাধিক কীৰ্তন-পুথিৰ ছপা ৰূপে বিক্ৰী লাভ কৰিছে বুলি গ্ৰন্থবিক্ৰেতা সকলৰ সমীক্ষাই কয়। লক্ষণীয় কথাটো হ’ল প্ৰায়ভাগ সম্পাদিত ৰূপতে খণ্ড সংখ্যাৰ ভিন্নতা পোৱা গৈছে।

গৱেষণাৰ বাবে নিৰ্দিষ্ট দহখনি সম্পাদিত কীৰ্তন-পুথি লোৱা হৈছে প্ৰতিখনৰে সংকলন বিশেষত্বপূৰ্ণ আৰু প্ৰত্যেকখনতে খণ্ডসংখ্যা বেলেগ বেলেগ। উক্ত ভিন্নতাৰ কাৰণ সমূহ আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ’ল। লগতে প্ৰকৃততে শঙ্কৰদেৱকৃত কীৰ্তনৰ খণ্ডৰ শুদ্ধ সংখ্যা সম্পৰ্কে নিজস্ব মতামত আগবঢ়াবৰ যত্ন কৰা হ’ল।

ক) মহেশ্বৰ নেওগ সম্পাদিত ‘কীৰ্তন-ঘোষা আৰু নামঘোষা’ত কীৰ্তন পুথিৰ ২৬ টি খণ্ড, চাৰিটি খণ্ডত অনুখণ্ড সংযোজন কৰি আৰু পৰিশিষ্টত চাৰিটি কীৰ্তন খণ্ড দেখুওৱা হৈছে। এইসমূহ উল্লেখ কৰা হৈছে— ১. চতুৰ্ব্বিংশতি অৱতাৰ বৰ্ণন, ২. নাম অপৰাধ, ৩. পাষণ্ড-মৰ্দ্দন, ৪. ধ্যান-বৰ্ণন, ৫. অজামিল উপাখ্যান, ৬. প্র াদ চৰিত্ৰ, ৭. গজেন্দ্ৰোপাখ্যান, ৮. হৰ-মোহন, ৯. বলি-ছলন, ১০. শিশু-লীলা-কালি-দমন অনুখণ্ড, ১১/১ ৰাস-ক্ৰীড়া, ১১/২ কংসবধ, ১২. গোপী উদ্ধৱ-সংবাদ, ১৩. কুঁজীৰ বাঞ্ছা পূৰণ, ১৪. অক্ৰূৰৰ বাঞ্ছা পূৰণ, ১৫/১. জৰাসন্ধৰ যুদ্ধ, ১৫/২ কালযৱন বধ, ১৫/৩ মুচুকুন্দ স্তুতি, দ্বাৰকা লীলা ১৬. স্যমন্তক হৰণ, ১৭. নাৰদৰ কৃষ্ণ দৰ্শন, ১৮. বিপ্ৰপুত্ৰ আনয়ন, ১৯. দামোদৰ বিপ্ৰাখ্যান, ২০. দৈৱকীৰ পুত্ৰ আনয়ন, ২১. বেদস্তুতি, ২২. কৃষ্ণ লীলামালা, ২৩. শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ, অৰ্জ্জুন যুধিষ্ঠিৰ সংবাদ অনুখণ্ড, উদ্ধৱ-বিলাপ অনুখণ্ড, ২৪. সহস্ৰ নাম বৃত্তান্ত, ২৫. উৰেষা বৰ্ণন, ২৬. ভাগৱত তাৎপৰ্য্য।

পৰিশিষ্টত আছে— ১. ঘুনুচা কীৰ্তন, ২. ধ্যান বৰ্ণন (মাধৱদেৱ), ৩. ৰুক্মিণীৰ প্ৰেম কলহ, ৪. ভৃগু পৰীক্ষা।

কীৰ্তন-ঘোষাৰ অধ্যায় বিভাজন ক্ৰম মহেশ্বৰ নেওগৰ মতকেই বিভিন্ন তথ্যৰ আধাৰত যুক্তিসঙ্গত বুলি গ্ৰহণ কৰা হৈছে। প্ৰস্তাৱিত গৱেষণাৰ ক্ষেত্ৰতো নেওগৰ দ্বাৰা সম্পাদিত পুথিকে প্ৰধান সমল বুলি গ্ৰহণ কৰা হৈছে।

খ) তীৰ্থনাথ শৰ্মা সম্পাদিত ‘কীৰ্তন-ঘোষা আৰু নামঘোষা’তো একেখিনি অধ্যায়েই সন্নিৱিষ্ট কৰা হৈছে, ইয়াত কোনো অনুখণ্ড দেখুওৱা হোৱা নাই। মূল খণ্ড সংখ্যা ৩০। তদুপৰি উপৰঞ্চিত ঘুনুচা কীৰ্তনহে সংযোজন কৰা হৈছে। মুঠতে ৩১ টি খণ্ড।

গ) তীৰ্থনাথ গোস্বামী সম্পাদিত 'কীৰ্তন-ঘোষা আৰু নামঘোষা'তো একেখিনি অধ্যায়েই সন্নিৱিষ্ট কৰা হৈছে। মূল অধ্যায় ৩০ টি আৰু পৰিশিষ্টত ১) ঘুনুচা কীৰ্তন, ২) প্ৰেম-কলহ, ৩) ধ্যান বৰ্ণন কীৰ্তন সন্নিৱিষ্ট কৰা হৈছে। মুঠতে ৩৪ টি খণ্ড।

ঘ) মেদিনী চৌধুৰী সম্পাদিত কীৰ্তন-ঘোষাত মুঠতে ৩৩ খণ্ড সন্নিৱিষ্ট হৈছে আৰু অতিৰিক্ত হিচাপে কোনো খণ্ড দেখুওৱা হোৱা নাই। ৰুক্মিণীৰ প্ৰেম কলহ, ভৃগু পৰীক্ষা, মাধৱদেৱৰ ধ্যান বৰ্ণনৰ তৃতীয় কীৰ্তন, সহস্ৰ নাম বৃত্তান্ত আৰু ঘুনুচা কীৰ্তন খণ্ড কেইটি কীৰ্তন খনৰ শেষৰ ফালে আছে।

ঙ) বলেন বৰগোঁহাইৰ সম্পাদনাৰ কীৰ্তন-ঘোষা আৰু নামঘোষাৰ অধ্যায়ৰ খণ্ড সংখ্যা মুঠ ৩০ টি সন্নিৱিষ্ট কৰা হৈছে। চতুৰ্ব্বিংশতিতম অৱতাৰ বৰ্ণনাৰ পৰা ভাগৱতৰ তাৎপৰ্যলৈকে।

চ) যতীন্দ্ৰনাথ গোস্বামীৰ সম্পাদনাৰ কীৰ্তন খনিতো মূল ৩০ টি খণ্ড দেখুওৱা হৈছে আৰু পৰিশিষ্টত ১) ঘুনুচা কীৰ্তন আৰু ২) ৰুক্মিণীৰ প্ৰেম-কলহ খণ্ডদুটি সন্নিৱিষ্ট কৰা হৈছে। মূলত ঃ অন্যান্য খণ্ড সমূহ একেধৰণে সূচীবদ্ধ কৰা হৈছে। মুঠতে ৩২ টি খণ্ড পোৱা গৈছে।

ছ) কৰবী ডেকা হাজৰিকা সম্পাদিত 'কীৰ্তন-ঘোষা আৰু নামঘোষা' পুথিখনিতো অনুখণ্ড বিভাজন কৰি মূল ২৬ টি কীৰ্তনৰ খণ্ড দেখুওৱা হৈছে। তদুপৰি পৰিশিষ্টত ১) ঘুনুচা-কীৰ্তন, ২) ধ্যান বৰ্ণন (মাধৱদেৱ) ৩) ৰুক্মিণীৰ প্ৰেমকলহ, ৪) ভৃগু পৰীক্ষা খণ্ডকেইটি সংযোজন কৰা হৈছে। মুঠতে ৩০ টি খণ্ড সন্নিৱিষ্ট হৈছে।

জ) নবীনচন্দ্ৰ শৰ্মা সম্পাদিত কীৰ্তন-ঘোষা আৰু নামঘোষা পুথিখনিতো খণ্ডসজ্জা প্ৰায় একে ধৰণেই সজোৱা হৈছে। মূল ২৮ টা খণ্ড দেখুওৱা হৈছে আৰু পৰিশিষ্টত ধ্যানবৰ্ণন, সহস্ৰনাম বৃত্তান্ত, ঘুনুচা-কীৰ্তন, ৰুক্মিণীৰ প্ৰেম-কলহ আৰু ভৃগু পৰীক্ষা সন্নিৱিষ্ট কৰা হৈছে। মুঠ খণ্ড ৩৩ টা।

ঝ) শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘই সম্পাদনা কৰি উলিওৱা কীৰ্তন-ঘোষা আৰু নামঘোষাতো প্ৰায় একেধৰণে খণ্ডসমূহ সজোৱা হৈছে। শিশুলীলাৰ অনুখণ্ড ৰূপে কালিয় দমন খণ্ডক দেখুৱাই মূল ২৭ টি খণ্ড সূচীবদ্ধ কৰা হৈছে। পৰিশিষ্টত সহস্ৰনাম বৃত্তান্ত, ঊৰেষা-বৰ্ণন, ধ্যান-বৰ্ণন খণ্ডকেইটি সংযোগ কৰা হৈছে। মুঠতে ৩০ টা খণ্ড আছে।

ঞ) সূৰ্য্যকান্ত হাজৰিকাৰ সম্পাদনাৰ 'কীৰ্তন-ঘোষা আৰু নামঘোষা' খনতো শিশুলীলাৰ অনুখণ্ড ৰূপে কালিয়দমন খণ্ড দেখাই মূল ২৭ টি খণ্ডৰে কীৰ্তন-ঘোষাৰ ক্ৰম ৰক্ষা কৰা হৈছে। পৰিশিষ্টত সহস্ৰ নাম বৃত্তান্ত, ঊৰেষা বৰ্ণন, ঘুনুচা কীৰ্তন, ধ্যান-বৰ্ণন (৩ য় কীৰ্তন), ৰুক্মিণীৰ প্ৰেম কলহ আৰু ভৃগু পৰীক্ষা

সন্নিৱিষ্ট কৰা হৈছে। মুঠতে ৩২ টি খণ্ড পোৱা গ'ল।

প্ৰস্তাৱিত বিষয়ৰ অৰ্ন্তভাগলৈ সোমাবৰ হেতু সংগ্ৰহ কৰা মুখ্য উৎস হিচাপে সংগ্ৰহ কৰা ছপা ৰূপৰ নিৰ্দিষ্ট কেইখন মান সম্পাদিত কীৰ্তন-ঘোষা আৰু নাম-ঘোষা পুথিৰ অৰ্ন্তগত কীৰ্তন-খণ্ড ভিন্নতা দেখুওৱা হ'ল। মহেশ্বৰ নেওগে তেওঁৰ সম্পাদনাৰ কীৰ্তন-ঘোষাৰ ছপাৰূপৰ প্ৰথম তাঙৰণত আৰম্ভণিতে লিখিছে—

> কীৰ্তন-ঘোষা' আৰু 'নাম-ঘোষা' অসমৰ সৰ্ব্বজন-সমাদৃত পুথি। দুয়োখনিৰে (প্ৰায় একেলগে) কেইবাটাও সংস্কৰণ অনেকবাৰ ছপা হৈ ওলাইছে ইয়াৰ ভিতৰত ১৮৭৬ খ্ৰীষ্টাব্দত হৰিবিলাস আগৰৱালাই প্ৰকাশ কৰা তাঙৰণেই সৰ্ব্বপ্ৰথম। আনবিলাক সংস্কৰণ তাৰে পুনৰ্মুদ্ৰণৰ দৰে।[৮]

নেওগৰ এই কথাষাৰেই বাৰে বাৰে প্ৰতিপন্ন হৈ আহিছে। তদুপৰি কীৰ্তন প্ৰকৃততে শঙ্কৰদেৱে ৰচনা কৰা খণ্ডসমূহৰ স্বীকৃতিও স্বয়ং মাধৱদেৱে দি গৈছে বুলি প্ৰতিখন সম্পাদিত পুথিয়ে নিৰূপিত কৰিছে। প্ৰত্যেকখন সম্পাদিত কীৰ্তনত অৰ্ন্তভুক্ত হোৱা পাঁচটি কীৰ্তনৰ ভিতৰত তিনিটি শঙ্কৰদেৱৰ নহয় বুলি প্ৰমাণিত হৈছে। ভক্তিৰ প্ৰগাঢ়তা থকা উক্ত কীৰ্তন কেইটি মাধৱদেৱকে আদি কৰি অন্য বৈষ্ণৱে ৰচনা কৰিছে। কীৰ্তন-ঘোষাত স্থান লাভ কৰিলেও এই আটাইকেইটি খণ্ডৰ ৰচনা সৌষ্ঠৱ শঙ্কৰদেৱৰ সমমৰ্যাদাৰ নহয়।

কীৰ্তনৰ উক্ত খণ্ডকেইটিৰ লেখকৰ পৰিচিতি সহ আলোচনা আগবঢ়োৱা হ'ল—

(১) **সহস্ৰ নাম বৃত্তান্ত ঃ** ৰচক ৰত্নাকৰ কন্দলি। শঙ্কৰদেৱ ধুঁৱাহাট-বেলগুৰিত থাকোঁতে তেঁওৰ ওচৰলৈ নিতৌ আহি ৰত্নাকৰ কন্দলিয়ে গীতাপাঠ কৰিছিল।

> সম্ভৱত ঃ এই ৰত্নাকৰ কন্দলীয়েই 'কীৰ্তন'ৰ অৰ্ন্তভুক্ত হোৱা সহস্ৰনাম বৃত্তান্তৰ ৰচক।[৯]

কবিত্ব, শব্দ লালিত্য তথা ভক্তিৰসৰ প্ৰাধান্যৰ বাবে এই খণ্ডটি কীৰ্তন-পুথিৰ অৰ্ন্তভুক্ত কৰা হ'ল।

(২) **ধ্যান বৰ্ণন** (মাধৱদেৱ) ঃ মাধৱদেৱৰ ভণিতাযুক্ত ধ্যানবৰ্ণনৰ তৃতীয় কীৰ্তনটি কীৰ্তন-ঘোষাৰ অৰ্ন্তভুক্ত কৰা হৈছে। এই খণ্ডটিৰ ৰচনা পদ্ধতি ভাল আৰু কীৰ্তনৰ বাবে উপযোগী।

(৩) **ৰুক্মিণীৰ প্ৰেম কলহ ঃ** ৰুক্মিণীৰ প্ৰেমকলহ শঙ্কৰ দেৱৰে ৰচনা। ভাগৱতৰ দশম স্কন্ধৰ যষ্ঠিতম অধ্যায়ৰ পৰা এইখণ্ডৰ সমল আহৰণ কৰা হৈছে। কিন্তু ভাৱৰ গাম্ভীৰ্যৰ ফালৰ পৰা হয়তো মাধৱদেৱে

---

৮. মহেশ্বৰ নেওগ (সম্পা.), *কীৰ্তন-ঘোষা আৰু নামঘোষা*, পৃ. ৬

৯. সত্যেন্দ্ৰনাথ শৰ্মা, *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, পৃ. ১৮৯

এইখণ্ডটি শাস্ত্ৰৰ অৰ্ন্তভুক্ত হ'ব নেলাগে বুলি বিবেচনা কৰিছিল। বেজবৰুৱাই এই প্ৰসঙ্গত সপক্ষে মতামত আগবঢ়াইছে।

(৪) **ভৃগু পৰীক্ষা ঃ** এই খণ্ডটিও শঙ্কৰদেৱে মূল ভাগৱতৰ ৮৯ অধ্যায়ৰ সমল আহৰণ কৰি লিখিছিল। ৭৪ টি পদত সামৰা এই খণ্ডটিও অন্যান্য খণ্ডৰ সমপৰ্য্যায়ৰ নহয় আৰু কীৰ্তন-ঘোষাৰ অৰ্ন্তগত হোৱাৰ অনুপযোগী বুলি মহেশ্বৰ নেওগে মন্তব্য আগবঢ়ায়।[গ]

(৫) **ঘুনুচা কীৰ্তন ঃ** ৰচক শ্ৰীধৰ কন্দলি। মহেশ্বৰ নেওগে তেওঁৰ সম্পাদিত কীৰ্তন ঘোষাৰ ভূমিকাত লিখিছে—

> কোনো কোনো পুথিত 'কীৰ্তন-ঘোষা'ৰ সামৰণি মৰা হয় 'ঘুনুচা-কীৰ্তনেৰে' হৰিবিলাস আগৰৱালাৰ ছপা সংস্কৰণতো এইটি খণ্ড ধৰা হৈছিল।[১০]

বেজবৰুৱাইয়ো এই প্ৰসঙ্গত লিখিছে—

> সি বাস্তৱিক কীৰ্তনৰ ভিতৰত সোমাবৰ উপযুক্ত নহয়। তাৰ ৰচনা প্ৰণালী কীৰ্তনতকৈ তলখাপৰ। তাৰ বাহিৰেও কীৰ্তনৰ প্ৰধান লক্ষণেৰে সি বিৰ্বৰ্জিত।[১১]

অৱশ্যে উক্ত পাঁচোটি কীৰ্তনৰ 'মাধৱদেৱৰ ভণিতা যুক্ত ধ্যান বৰ্ণনৰ তৃতীয় কীৰ্তনটি' ৰচনা সৌষ্ঠৱ আৰু বিশেষত্বপূৰ্ণ ধৰ্মীয় দাৰ্শনিক তাৎপৰ্যৰ দিশৰ পৰা মাধৱদেৱৰে হয় বুলি ক'ব পাৰি। গতিকে এই কীৰ্তনটিৰ কীৰ্তন-ঘোষাত অৰ্ন্তভুক্তি যথোপযুক্ত।

নেওগে লিখিছে—

> দুই এখন সাঁচিপতীয়া কীৰ্তন-ঘোষা পুথিত শ্ৰীধৰ কন্দলিৰ ঘুনুচা যাত্ৰা, শ্ৰীশ্ৰী মাধৱদেৱৰ নামত প্ৰচলিত 'ধ্যান বৰ্ণন'ৰ এটি কীৰ্তন আৰু শ্ৰী শঙ্কৰদেৱৰ নামৰ 'ৰুক্মিণীৰ প্ৰেমকলহ' (প্ৰেম কলহী ঘোষা) আৰু 'ভৃগু পৰীক্ষা'ৰ কীৰ্তন পোৱা যায়। কিন্তু এইকেইটি সততে কীৰ্তন-ঘোষাৰ অৰ্ন্তগত বুলি বিবেচিত নহয়।[১২]

মাধৱদেৱৰ ভণিতাযুক্ত ধ্যানবৰ্ণনৰ তৃতীয় কীৰ্তন খণ্ডটি বাদ দি বাকী কেইটা খণ্ডৰ ৰচনাশৈলী অৰ্থাৎ ভাষাৰ ব্যৱহাৰ বহু পৰিমাণে গ্ৰাম্য দুষ্ট। পাতল তথা গাৰ্হস্থ্য কন্দলৰ বিবিধ লঘুবৰ্ণনাই ৰুক্মিণীহৰণ,

---

**প্ৰসঙ্গটোকা** (গ) ঃ 'ভৃগু-পৰীক্ষা' খণ্ডটিত মূলৰ ৮৯ অধ্যায়ৰ ভৃগুৱে ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ ভিতৰত কোনজন শ্ৰেষ্ঠ তাৰ পৰীক্ষা কৰাৰ কথা স্পৰ্শমাত্ৰ কৰা হৈছে। ... ... এইটি খণ্ডও আন খণ্ড সমূহৰ তুলনাত অলপ তল খাপৰ। (মহেশ্বৰ নেওগ (সম্পা.), *কীৰ্তন-ঘোষা আৰু নামঘোষা পাতনি*, পৃ. ৩৬)

১০. উল্লিখিত, পৃ. ৩৭

১১. নগেন শইকীয়া, *বেজবৰুৱা ৰচনাৱলী* (২ য় খণ্ড), পৃ. ১৮

১২. পূৰ্বোল্লিখিত, *কীৰ্তন-ঘোষা আৰু নামঘোষা পাতনি*, পৃ. ৫

ঘুনুচা কীৰ্তন খণ্ডকেইটি কিছু পৰিমাণে নিম্ন কৰিছে। সহস্ৰ নাম বৃত্তান্ত আৰু ভৃগু পৰীক্ষা খণ্ডদুটিৰ মানো বিশেষ উন্নত নহয়।

## ২.০৫ কীৰ্তন-ঘোষাৰ বিষয়বস্তু ঃ

শঙ্কৰদেৱে বৰদোৱাত জগদীশ মিশ্ৰৰ পৰা ভাগৱত পুৰাণ লাভ কৰাৰ পাছত, সেই পুৰাণ খনিৰ সাৰমৰ্ম উদ্ধাৰ কৰি কথিত অসমীয়া ভাষাক সাহিত্যিক মৰ্যদা প্ৰদান কৰি কীৰ্তন-ঘোষা পুথিখনি ৰচনা কৰিলে। শঙ্কৰদেৱৰ কৃত কীৰ্তনৰ মূল খণ্ড কেইটি উল্লেখ কৰা হ'লঃ

| | |
|---|---|
| ১। চতুৰ্বিংশতি অৱতাৰ বৰ্ণন | ২। নাম-অপৰাধ |
| ৩। পাষণ্ড মৰ্দ্দন | ৪। ধ্যান বৰ্ণন |
| ৫। অজামিল উপাখ্যান | ৬। প্ৰ াদ চৰিত |
| ৭। গজেন্দ্ৰ উপাখ্যান | ৮। হৰমোহন |
| ৯। বলি-ছলন | ১০। শিশু-লীলা, অনুখণ্ড ঃ কালিয়দমন |
| ১১। ৰাস ক্ৰীড়া | ১২। কংস বধ |
| ১৩। গোপী উদ্ধৱ সংবাদ | ১৪। কুঁজীৰ বাঞ্ছাপূৰণ |
| ১৫। অক্ৰুৰৰ বাঞ্ছাপূৰণ | ১৬। জৰাসন্ধ যুদ্ধ |
| ১৭। কাল যৱন বধ | ১৮। মুচুকুন্দ স্তুতি |
| ১৯। স্যমন্তক হৰণ | ২০। নাৰদৰ কৃষ্ণ দৰ্শন |
| ২১। বিপ্ৰ পুত্ৰ আনয়ন | ২২। দামোদৰ বিপ্ৰাখ্যান |
| ২৩। দৈৱকীৰ পুত্ৰ আনয়ন | ২৪। বেদস্তুতি |
| ২৫। কৃষ্ণ লীলা মালা | ২৬। শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ |
| ২৭। ভাগৱতৰ তাৎপৰ্য আৰু | ২৮। ঊৰেষা বৰ্ণন। |

আটাইকেউখন সম্পাদিত কীৰ্তন ঘোষাৰ আধাৰত পৰিশিষ্টত সন্নিৱিষ্ট অন্য কীৰ্তনকেউটিও উল্লেখ কৰা হ'লঃ

| | |
|---|---|
| ১। সহস্ৰ নাম বৃত্তান্ত (ৰত্নাকৰ কন্দলি) | ২। ঘুনুচা কীৰ্তন (শ্ৰীধৰ কন্দলি) |
| ৩। ধ্যান বৰ্ণন (মাধৱদেৱ) | ৪। ৰুক্মিণীৰ প্ৰেম কলহ (শঙ্কৰদেৱ) |
| ৫। ভৃগু পৰীক্ষা (শঙ্কৰদেৱ) | |

এইদৰে কীৰ্তন-ঘোষাৰ খণ্ডসমূহ পৰিচিহ্নিত কৰা হৈছে। আমাৰ গৱেষণাত কীৰ্তনৰ খণ্ডসমূহৰ

বিষয়বস্তুৰ পৰিচয়কৰণৰ ক্ষেত্ৰত মহেশ্বৰ নেওগৰ দ্বাৰা সম্পাদিত কীৰ্তন-ঘোষা আৰু নামঘোষাক গুৰুত্ব দিয়া হৈছে। কাৰণ এই পুথিৰ পাঠ নিৰ্ধাৰণৰ ক্ষেত্ৰত গ্ৰহণ কৰা পুথি সমূহ তেওঁ নিৰ্ভৰযোগ্য অনুষ্ঠানৰ পৰা সংগ্ৰহ কৰিছে আৰু বিজ্ঞান সন্মাত পদ্ধতিৰে তথ্য বিশ্লেষণ কৰি সম্পূৰ্ণ কীৰ্তনখনৰ খণ্ডসমূহ সংযোজিত কৰিছে।

(১) **চৰ্তুৰ্ব্বিংশতি অৱতাৰ বৰ্ণন ঃ** ভাগৱত পুৰাণৰ প্ৰথম স্কন্ধৰ তৃতীয় অধ্যায়, দ্বিতীয় স্কন্ধৰ সপ্তম অধ্যায় আৰু অষ্টম স্কন্ধৰ পৰা ভগৱানৰ অৱতাৰ সমূহৰ পৰিচয় লৈ শঙ্কৰদেৱে বিশেষ ক্ৰমত আদিপুৰুষ একমেৱদ্বিতীয়ম ভগৱন্তৰ চৌব্বিশটি অৱতাৰৰ বন্দনা এই খণ্ডটিত কৰিছে। শঙ্কৰদেৱে ভগৱান বিষ্ণুৰ চৌব্বিশটি অৱতাৰৰ স্বৰূপ আৰু মহিমা প্ৰথম, দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ কীৰ্তনত সজাই এই খণ্ডটি সম্পূৰ্ণ কৰিছে। নৱৈষ্ণৱ ধৰ্মৰ মূল নীতি-নিৰ্দেশনা প্ৰথমটি পদতে সুন্দৰকৈ ব্যক্ত হৈছে।

পদ ।। প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন
সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ।। (১ম কীৰ্তন)

(২) **নাম অপৰাধ ঃ** পদ্মপুৰাণৰ স্বৰ্গখণ্ডৰ পৰা সংগৃহীত কৰা হৈছে উক্ত কীৰ্তনৰ সমল। বহু পৰিমাণে ভাবানুবাদ আৰু মৌলিক মন্তব্যই নাম-অপৰাধ খণ্ডটি তাৎপৰ্যপূৰ্ণ কৰি তুলিছে।

নাম বিনে নাহি কলিত গতি।
কলিৰ লোক হুইৰে পাপমতি।।৩৪

একমাত্ৰ ভগৱানৰ নামেহে পাপভ্ৰষ্ট মানুহৰ পাপ হৰণ কৰি মন পৱিত্ৰ কৰাৰ লগতে মুক্তি লাভ সহজসাধ্য কৰি তোলে- এই কথাৰ সাৰমৰ্ম উক্ত অধ্যায়টিত সুন্দৰভাৱে সন্নিৱিষ্ট কৰা হৈছে—

(৩) **পাষণ্ড মৰ্দ্দন ঃ**

কীৰ্তন শুনিয়া সম্যকে মৰে।
জানিবা নিতে মহাপাপ কৰে।।৭২

চিত্ত-শুদ্ধি তথা পৱিত্ৰ মানসিক আৰধনাৰ জৰিয়তে ঈশ্বৰত্বৰ স্বৰূপ উপলব্ধি কৰিলেহে পাষণ্ড (অনুচিত কৰ্ম) আচৰণ কৰা সকলৰ মুক্তি সম্ভৱ হ'ব। এই খণ্ডটিৰ সাৰমৰ্ম ভাগৱত পুৰাণৰ বাৰটি খণ্ডৰ পৰা বাছি লোৱাৰ লগতে পদ্মপুৰাণৰ উত্তৰ-খণ্ডৰ বৃহৎ সহস্ৰনাম, বৃহন্নাৰদীয় পুৰাণ, বিষ্ণু ধৰ্ম্মোত্তৰ আৰু সুত সংহিতা নামৰ সংস্কৃত পুথিৰ পৰা সংগ্ৰহ কৰিছে।

(৪) **ধ্যান বৰ্ণন ঃ** ভাগৱতৰ দ্বিতীয় স্কন্ধৰ পৰা সমল কীৰ্তনৰ এই খণ্ডটি ৰচনা কৰা হৈছে। ভগৱান বিষ্ণুৰ

পৰম সৌন্দৰ্য মূৰ্ত্তিৰ ধ্যানৰ স্বৰূপ আৰু মঙ্গলময় মূৰ্তিৰ নিবাসস্থলী বৈকুণ্ঠনগৰীৰ পৰিৱেশৰ অনুপম বৰ্ণনাই খণ্ডটি মনোমোহা কৰিছে। মঙ্গলময়ৰ সৌন্দৰ্য আৰধনাৰ শ্ৰৱণ কীৰ্তনে সকলো পাপ খণ্ডন কৰে।

দৃঢ় কৰি ধৰো হৰিৰ পাৱ।
পাপ সাগৰত এহিসে নাৱ।।
কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে ভণে।
হৰি হৰি বোলা সমস্ত জানে।।২৮

(৫) **অজামিল উপাখ্যান ঃ** ভাগৱত পুৰাণৰ ষষ্ঠ স্কন্ধৰ পৰা অজামিল উপাখ্যানৰ সমল শঙ্কৰদেৱে সংগ্ৰহ কৰিছে। অতিশয় মহাপাপীয়েও কিদৰে ভগৱানৰ নাম উচ্চাৰণৰ জৰিয়তে পৰম মুক্তি লাভ কৰিব পাৰে, উক্ত তত্ত্বৰ ব্যাখ্যাই এই অধ্যায়ৰ সাৰমৰ্ম।

মৰিবৰ বেলা ইটো অজামিলে
নাৰায়ণ নাম লৈল।
কোটি জনমৰ য'ত মহাপাপ
তাৰো প্ৰায়চিত ভৈল।।
ব্ৰহ্মবধ পিতৃ বধ সুৰা পান
অগম্য গমন কৰে।
গৰু তিৰী মাৰে সুৱৰ্ণক হৰে
মিত্ৰৰ দ্ৰোহ আচৰে।।৯

(৬) **প্ৰহ্লাদ চৰিত্ৰ ঃ** ভাগৱতৰ তৃতীয় আৰু সপ্তম স্কন্ধৰ আধাৰত শঙ্কৰদেৱে প্ৰ াদ চৰিত্ৰ খণ্ডটি ৰচনা কৰিছে। বৈকুণ্ঠৰ বৰ্ণনা, প্ৰ াদৰ ভক্তিৰ শক্তি, হিৰণ্যকশিপুৰ অহংকাৰ, নৰসিংহৰ আৰ্বিভাৱ, হিৰণ্যকশিপুৰ পতন ইত্যাদি চমকপ্ৰদ কাহিনীৰ মাধ্যমেৰে পৰমব্ৰহ্ম ভগৱানৰ প্ৰতি ভক্তিৰ মহাত্ম্য বিশিষ্টৰূপত প্ৰতিপাদন কৰা হৈছে।

(৭) **গজেন্দ্ৰ উপাখ্যান ঃ** ভাগৱতৰ অষ্টম স্কন্ধৰ দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ অধ্যায়ৰ পৰা সংগৃহীত ক্ষীৰসাগৰ আৰু তাৰ মাজৰ ত্ৰিকূট পৰ্বতৰ কবিত্বপূৰ্ণ বৰ্ণনা খণ্ডটিৰ অন্যতম আকৰ্ষণ। ঈশ্বৰৰ নামৰ ভক্তিসহকাৰে কৰা আৰধনাই ভক্তক যিকোনো পৰিস্থিতিতে উদ্ধাৰ কৰে— উক্ত কাহিনীৰ মাধ্যমেৰে ভক্তিক বিশিষ্টভাৱে প্ৰতিপাদন কৰা হৈছে এই আখ্যানৰ জৰিয়তে।

শুণ্ডে মেহ্লাই পদ্মগোট উপৰক তুলি।
গজেন্দ্রে শৰণ লৈল ত্ৰাহি হৰি বুলি।।
আথে বেথে শীঘ্রে হৰি গৰুড়ৰ কন্ধে।
ভকতক ৰাখিবাক আসিলা প্ৰবন্ধে।।৩৩

(৮) **হৰমোহন ঃ** ভাগৱতৰ অষ্টম স্কন্ধৰ দ্বাদশ অধ্যায়ৰ পৰা সংগৃহীত সমলেৰে শঙ্কৰদেৱে হাস্য আৰু শৃংগাৰ ৰস মিশ্রিত কীৰ্তনৰ এই অনুপম খণ্ডটি ৰচনা কৰে। ভগৱানৰ মোহিনী নাৰী ৰূপ প্ৰদৰ্শন দ্বাৰা শিৱৰ বিপৰ্যস্ত অৱস্থাৰ সাৱলীল কথন এই কাহিনীৰ মূল বিশেষত্ব। ভগৱানে বিষ্ণু আৰু মহাদেৱৰ অভেদত্ব প্ৰতিষ্ঠা আৰু বিশুদ্ধচিত্তে হৰিনাম স্মৰণৰ দ্বাৰা বিষ্ণুৰ মোহিনী নাৰী বেশত কামাসক্ত হৈ পৰা মহাযোগী শিৱই চেতন ঘুৰাই পোৱাৰ তাত্বিক দৰ্শন এই খণ্ডটিত উপস্থাপন কৰা হৈছে। মহাদেৱৰ বাণীতেই খণ্ডটিৰ ৰহস্য নিহিত হৈ আছে—

বিষ্ণুৰ আগত মই পৰম অজ্ঞানী।
জিনিলো মায়াক বুলিলোহো গৰ্ব্ববাণী।।
ইসে অহঙ্কাৰে কৰে হৃদয়ত তাপ।
হৰি হৰি স্মৰণে খণ্ডোক ই ইটো পাপ।।৮০

(৯) **বলিছলন ঃ** ভাগৱত পুৰাণৰ অষ্টম খণ্ডৰ পৰা বলি-ছলনৰ কাহিনীভাগ আহৰণ কৰা হৈছে আৰু বামন পুৰাণৰো কিছু সমল গ্ৰহণ কৰা হৈছে। বলিৰ ভক্তি আৰু সুতলপুৰীত বলিৰ জৰিয়তে ভগৱান বিষ্ণুৰ মহিমা প্ৰচাৰ তথা গভীৰ ভক্তি আৰধনাৰ তাৎপৰ্য দৰ্শন এই অধ্যায়ৰ বিশেষত্ব।

সুদৃঢ় ভকতি ভাৱে দৈত্যপতি
কৰিল কৰ্ম্ম নিৰ্মূল।
সংসাৰক তৰি পুৰুষ উদ্ধাৰি
নিস্তাৰিল দৈত্যকূল।।৩০ ( ৫ম কীৰ্তন)

(১০) **শিশুলীলা ঃ** দশম স্কন্ধ ভাগৱতৰ তৃতীয়ৰ পৰা অষ্টম অধ্যায়ৰ কাহিনীৰ পৰা সংগৃহীত শ্ৰীকৃষ্ণৰ শিশু জীৱনৰ সাৱলীল কাব্যিক উপস্থাপন কীৰ্তন-ঘোষাৰ শিশুলীলা খণ্ডটি। কৃষ্ণৰ জন্ম, কালীনাগৰ দমন, যশোদাৰ শিশুকৃষ্ণৰ মুখ গহ্বৰত বিশ্বৰূপ দৰ্শনৰ অভূতপূৰ্ব লীলা খণ্ডটিৰ অন্যতম আকৰ্ষণ। খণ্ডটিৰ চতুৰ্থ কীৰ্তনত উল্লিখিত শিশু কৃষ্ণই যশোদামাতৃৰ স্তন পান কৰিবলৈ নাপাই দধি দুগ্ধ নষ্ট কৰি বিভিন্ন

উৎপাত কৰে। গতিকে যশোদাই শাস্তি দিবৰ নিমিত্তে কৃষ্ণক খেদি খেদিও নাপায়, জৰীৰে বান্ধিব খুজিও নোৱাৰে। কিন্তু গভীৰ বাৎসল্য ভক্তি-প্ৰেমৰ বাবেই —

হেন দেখি প্ৰভু নাৰায়ণ।
স্নেহে লৈলা আপুনি বন্ধন।।
জগতৰ আপুনি ঈশ্বৰ।
তুমি বশ্য ভৈলা ভকতৰ।।৬১ (৪ৰ্থ কীৰ্তন)

**অনুখণ্ড ঃ কালিয় দমন ঃ** কেইবাখনো সম্পাদিত কীৰ্তন-ঘোষাত কালিয় দমন খণ্ডটি, শিশুলীলা খণ্ডৰ অনুখণ্ড হিচাপে ভাগ কৰি দেখুওৱা হৈছে। কালি নাগৰ বিষযুক্ত হ্ৰদৰ পানী পান কৰি গো সমন্বিতে গোপবালক সকলৰ মৃত্যু হৈছিল। গতিকে কালিনাগক দমনৰ হেতু শিশু কৃষ্ণই হ্ৰদত জাপ দিছিল আৰু লীলাৰে কালি নাগৰ দৰ্পচূৰ্ণ কৰি বিষহীন কৰি হ্ৰদৰ পৰা খেদাই দিলে আৰু গোকুলবাসীৰ লগত আনন্দ কৰি স্বগৃহলৈ ঘুৰি আহিল।

(১১) **ৰাসক্ৰীড়া ঃ** দশম স্কন্ধ ভাগৱতৰ ৰাস পঞ্চাধ্যায়ী অধ্যায়ৰ সাৰবস্তু লৈ শঙ্কৰদেৱে ৰাসক্ৰীড়া অংশটি ৰচনা কৰিছে। ৰাসক্ৰীড়া খণ্ডটিৰ তাত্ত্বিক দৰ্শন *কামজয় নামে ইটো কেশৱৰ কেলি* বুলি শঙ্কৰদেৱে সাৰ্থকভাৱে প্ৰতিপন্ন কৰিছে। মৌলিক প্ৰতিভাৰে কলাত্মক সৌষ্ঠৱৰে শঙ্কৰদেৱে শৃংগাৰ ৰসৰ আধিক্য থকা কৃষ্ণ আৰু গোপীবৃন্দৰ প্ৰেমলীলাৰ মাধ্যমেৰে ভক্তিৰ আদৰ্শ অন্যমাত্ৰাত ফুটাই তুলিবলৈ সক্ষম হৈছে। এই খণ্ডটিত শঙ্কৰ কবিয়ে মূল দৰ্শন ফুটাই তুলিছে এইদৰে —

ইটো কামজয় কৃষ্ণৰ কথা।
শুনা নৰ দেহ নকৰা বৃথা।।
কৃষ্ণৰ কিঙ্কৰে কহে প্ৰলাপ।
বোলা হৰি হৰি হৰোক পাপ।। ১৭২ (১৫শ কীৰ্তন)

(১২) **কংসবধ ঃ** ভাগৱত পুৰাণৰ দশম স্কন্ধৰ ৩৬ তম অধ্যায়ৰ পৰা ৪৪ তম অধ্যায় পৰ্যন্ত অংশৰ পৰা শঙ্কৰদেৱে কংসবধৰ সমল সংগ্ৰহ কৰিছে। অহংকাৰ মত্ত কংসৰ দৰ্পচূৰ্ণ তথা অন্ত কৰি কৃষ্ণই কিদৰে মথুৰানগৰীত পিতৃ-মাতৃক কাৰাবাসৰ পৰা মুক্ত কৰি উগ্ৰসেনক নৃপতি অভিষিক্ত কৰিলে তাৰেই সাৰলীল উপস্থাপন এই খণ্ডটিত আছে।

(১৩) **গোপী উদ্ধৱ সংবাদ ঃ** ভাগৱতৰ দশম স্কন্ধৰ ৪৬ শ অধ্যায়ৰ আধাৰত শঙ্কৰদেৱে গোপী উদ্ধৱ

সংবাদ খণ্ডটি ৰচনা কৰিছে। কৃষ্ণ মথুৰালৈ কংসবধৰ হেতু যোৱাৰ গোকূলৰ গোপীসকলৰ মনত যি ভক্তিসিক্ত বিৰহ বেদনাৰ সৃষ্টি হৈছিল, সেই প্ৰবোধ বাণী অধ্যায়টোৰ বৈশিষ্ট্য।

পৰে ন কান্দতে চক্ষুৰ পানী।
উদ্ধৱে প্ৰবোধি বুলিলা বাণী।।
এড়া অনুশোচ দেখিবা হৰি।
ৰাম বুলি যায়ো সংসাৰ তৰি।।২২

(১৪) **কুঁজীৰ বাঞ্ছাপূৰণ ঃ** দশম স্কন্ধ ভাগৱতৰ ৪৭ শ অধ্যায়ৰ পৰা সংগৃহীত সমলেৰে শঙ্কৰদেৱে কুঁজীৰ বাঞ্ছাপূৰণ খণ্ডটি ৰচনা কৰিছে। কংসবধ খণ্ডত পৰম প্ৰেম আৰু ভক্তি সহকাৰে কুঁজীয়ে কৃষ্ণক চন্দনেৰে তিলক কৰাৰ পূণ্যফল হিচাপে কৃষ্ণ পৰশনে কুঁজী দিব্য সুন্দৰীলৈ ৰূপান্তৰিত হ'ল। আৰু সেই সুন্দৰীৰ ভক্তিময় শৃংগাৰ প্ৰেমাকাংক্ষাৰে কৰা আহ্বান ৰক্ষা কৰি কৃষ্ণ কুঁজীৰ গৃহত উপস্থিত হৈছিল। শ্ৰীকৃষ্ণই মনুষ্যসুলভ ৰতি ক্ৰীড়াৰে কুঁজীৰ বাঞ্ছা পূৰণ কৰি তাইক মোক্ষতো অধিক আনন্দ প্ৰদান কৰে।

আনন্দ মূৰ্ত্তিক দুইহাতে হিয়াত
আলিঙ্গি ভৈল নিষ্পাপ।
মোক্ষতো অধিক আনন্দ মিলিল
তৰিল সংসাৰ তাপ।।৮

(১৫) **অক্ৰুৰৰ বাঞ্ছা পূৰণ ঃ** এই খণ্ডটি শঙ্কৰদেৱে মূল ভাগৱত পুৰাণৰ ৪৮শ অধ্যায়ৰ সহায় লৈ ৰচনা কৰিছে।

(১৬) **জৰাসন্ধৰ যুদ্ধ ঃ** মূল ভাগৱতৰ দশম স্কন্ধৰ ৫০ শ অধ্যায়ৰ পৰা সমল সংগ্ৰহ কৰি শঙ্কৰদেৱে কীৰ্তনৰ এই খণ্ডটি ৰচনা কৰিছে।

মাধৱত যুদ্ধ হাৰি জৰাসন্ধ নৃপ।
ৰাজাগণ সমে গৈল বাণৰ সমীপ।।
প্ৰাণমিত্ৰ বুলি বানে কৰিলা সৎকাৰ।
জৰাসন্ধে নিবেদিলে দুঃখ আপোনাৰ।।২৪ (২ য় কীৰ্তন)

(১৭) **কালযৱন বধ ঃ** এই খণ্ডটি মূল দশমৰ ৫১ শ অধ্যায়ৰ আধাৰত ৰচনা কৰা হৈছে। কালযবনৰ আক্ৰমণৰ পৰা যাদৱগণক ৰক্ষা কৰিবলৈ দ্বাৰকা নগৰীৰ নিৰ্মাণ আৰু মুচুকুন্দৰ চকুৰ পৰা নিৰ্গত অগ্নিৰে

সেই অসুৰৰ নিধনৰ কবিত্বময় বৰ্ণনা খণ্ডটিত পোৱা যায়।

জ্ঞানীগণে যাক ধ্যানতো নেদেখে

খেদে হেন মাধৱক।

হাতে পাৱে হেন দেখাই আপুনাক

নিলন্ত তাক দূৰত।।৬৪ (২ য় কীৰ্তন)

(১৮) **মুচুকুন্দ স্তুতি ঃ** এই খণ্ডটিৰো সমল দশমৰ ৩১ অধ্যায়ৰ পৰাই সংগ্ৰহ কৰা হৈছে। মুচুকুন্দৰ চকুৰ অগ্নিত কালযৱন ভস্মীভূত হোৱাৰ পাছত স্বয়ং ভগৱান তেওঁৰ ওচৰত আৰ্বিভাৱ হ'ল। পৰম ভক্ত মুচুকুন্দৰ ভগৱানৰ প্ৰতি অন্তৰস্পৰ্শী ভক্তি আৰধনাৰ সাৱলীল বৰ্ণনা এই খণ্ডৰ আকৰ্ষণ।

নবাঞ্ছোহো আন মাধৱ তোমাৰ

চৰণ সেৱাত পৰে।

মুকুতি দাতাক আৰাধি খুজিব

আন বৰ কোন নৰে।।১০২

(১৯) **স্যমন্তক হৰণ ঃ** কীৰ্তনৰ স্যমন্তক হৰণ খণ্ডটি অতি আকৰ্ষণীয় অধ্যায়। ভাগৱতৰ দশম স্কন্ধৰ পৰা এই কাহিনীৰ সমল লোৱা হৈছে। ঝুমুৰি ছন্দত লিখা খণ্ডটিৰ প্ৰকাশভঙ্গী সাৱলীল আৰু মনোৰম।

হেন শুনি জাম্বৱন্ত।

ধাইলা মহা বলৱন্ত।।

নিচিনি স্বামীক পাছে।

ধৰিলন্ত যুদ্ধ কাছে।।২৪ (৪ ৰ্থ কীৰ্তন)

(২০) **নাৰদৰ কৃষ্ণ দৰ্শন ঃ** দশম স্কন্ধৰ সমলৰ আধাৰত শঙ্কৰদেৱে নাৰদৰ কৃষ্ণ-দৰ্শন খণ্ডটি সুন্দৰভাৱে ৰচনা কৰিছে। ভগৱান কৃষ্ণৰ সাংসাৰিক জীৱনৰ চিত্ৰণ কবি গৰাকীয়ে কৰিছে অৰ্থাৎ মায়াময় সাংসাৰিক জীৱনযাত্ৰাৰ প্ৰতিচ্ছৱি বাহ্যিক দৃষ্টিৰে দেখা পোৱা যায়। কিন্তু অৰ্ন্তলীন দৃষ্টিৰে ভক্ত আৰু ভগৱানৰ অটুট বন্ধনৰ পৰম প্ৰাপ্তি খণ্ডটিৰ বিশেষত্ব।

দেখিয়া নাৰদে তুলিলা হাসি।

আমাক প্ৰভু ভুৰুকুৰা আসি।।

তোমাৰ চৰণ সেৱাৰ বলে।

তযু যোগ মায়া জানো সকলে।।৪২

জানিয়ো প্ৰভু মই তযু দাস।

কৰিয়া তোমাৰ যশ প্ৰকাশ।।

তিনিও লোকে ফুৰো বীণা বাই।

তোমাৰ পবিত্ৰ চৰিত্ৰ গাই।।৪৩ ( ৫ম কীৰ্তন)

(২১) **বিপ্ৰ পুত্ৰ আনয়ন ঃ** দশমৰ ৮৯ অধ্যায়ৰ পৰা সংগৃহীত কাহিনীৰ আলমত শঙ্কৰদেৱে কীৰ্তন-ঘোষাৰ এই খণ্ডটি ৰচনা কৰিছে। বিপ্ৰৰ উপজিয়ে মৃত দশ পুত্ৰক পুনৰ্জীৱিত কৰি বিপ্ৰক অৰ্পণ কৰাৰ কৃষ্ণ অৰ্জুনৰ দুঃসাহসিক যাত্ৰাৰ বৰ্ণনা এই খণ্ডৰ বিশেষত্ব।

যদি পূৰ্ণকাম দুয়ো তোমৰা।

সৃষ্টি অৰ্থে আসি তপ কৰা।।

হাসিয়া এসি বুলি চক্ৰপাণি।

ব্ৰাহ্মণৰ দশ ছৱালি আনি।।৪৪

দিলন্ত কৃষ্ণ অৰ্জ্জুনৰ হাতে।

নমিলা পাছে দুয়ো প্ৰণিপাতে।। (৪ ৰ্থ কীৰ্তন)

(২২) **দামোদৰ বিপ্ৰাখ্যান ঃ** মূল দশম স্কন্ধ ভাগৱতৰ ৪১-৮১ অধ্যায়ৰ কাহিনীৰ আলমত শঙ্কৰদেৱে কীৰ্তন ঘোষাৰ উক্ত অধ্যায়টি ৰচনা কৰিছে। শৈশৱৰ সহপাঠী দৰিদ্ৰ ব্ৰাহ্মণৰ কৃষ্ণৰ প্ৰতি একান্ত অনুৰাগময় ভক্তিৰ কথা আৰু কৃষ্ণৰ ভক্তৰ প্ৰতি সহৃদয়শীল আচৰণ আৰু প্ৰেমৰ পৱিত্ৰ কাহিনী অধ্যায়টিত বৰ্ণিত হৈছে। ভক্তৰ পৰম ভক্তিৰ দৃঢ়তাত ভগৱানে দামোদৰ বিপ্ৰক মোক্ষতো অধিক প্ৰাপ্ত দিছে—

দৃঢ় ভক্তি কৰি ছিণ্ডি মোহ জৰী

কৰ্ম্ম-বন্ধে ভৈলা হীন।

পায়া মহোদয় দেখি ব্ৰহ্মময়

কৃষ্ণতে গৈলন্ত লীন।।৩৩ (৪ৰ্থ কীৰ্তন)

(২৩) **দৈৱকীৰ পুত্ৰ আনয়ন ঃ** মূল দশকৰ ৮৫ শ অধ্যায়ৰ পৰা সংগৃহীত সমলেৰে শঙ্কৰদেৱে এই খণ্ডটি ৰচনা কৰিছে। মানৱ জীৱনৰ পাৰ্থিৱ সুখ-দুখ, মৰম-স্নেহৰ মধুৰতম নিদৰ্শন মাতৃ হৃদয়ৰ ব্যাকুলতাৰ অনন্য গাথা এই খণ্ডৰ বিশেষত্ব কংসই দৈৱকীৰ গৰ্ভজাত ছয় সন্তানক জন্মৰ লগে লগে হত্যা কৰিছিল আৰু সেই

ছয়ো পুত্ৰৰ প্ৰেমত আকূল হৈ দৈৱকীয়ে কৃষ্ণক তেওঁবিলাক আনি দিবৰ নিমিত্তে প্ৰাৰ্থনা কৰিছিল। কৃষ্ণৰ সেই প্ৰাৰ্থনা কেনেদৰে ৰক্ষা কৰিছিল তাৰ বিৱৰণ আছে।

ছয়ো ছৱালক দৈৱকী দেখি।
পৰম আনন্দে চান্ত নিৰেখি।।
নিশ্চয়ে সৱে মোৰ পুত্ৰ বুলি।
লৈলন্ত সৱাকো কোলাত তুলি।।২৫ (৩ য় কীৰ্তন)

(২৪) **বেদস্তুতি ঃ** ভাগৱতৰ দশম স্কন্ধৰ কিছু স্কন্ধৰ কিছু অংশৰ লগত শ্ৰীধৰ স্বামীৰ ভাৱাৰ্থ দীপিকা টীকাৰ কথা মিলাই শঙ্কৰদেৱে এই অনুবাদমূলক কীৰ্তনৰ খণ্ডটি ৰচনা কৰিছে। তত্ত্বজ্ঞান, ভগৱানৰ প্ৰতি প্ৰাৰ্থনা এই খণ্ডৰ প্ৰধান বিষয়বস্তু।

শৰীৰৰ ছয় চক্ৰ চিন্তে যিটোজন।
তাহাৰ গুচুৱা ভয় মৃত্যু নাৰায়ণ।
হৃদি-গত কৰি হৰি সম্প্ৰতি তোমাক।
কৰোহো উপাসা আমি সৱে বেদজাক।।৬ (১ম কীৰ্তন)

(২৫) **লীলা মালা ঃ** দশম স্কন্ধ ভাগৱতত বৰ্ণিত অৱতাৰী পুৰুষ কৃষ্ণৰ বিধি লীলাৰ সাৰাংশ স্বৰূপে শঙ্কৰদেৱে কীৰ্তন-ঘোষাৰ লীলা মালা খণ্ডটি ৰচনা কৰিছে। সুন্দৰ বাল্য লীলাৰ প্ৰকাশ এনে ধৰণৰ ঃ

যশোদা সুধিলে ধৰি কিয় মাটি খাইলি।
নাখাওঁ বুলিয়া বেন্ত বাইলা বনমালী।।
গৰ্ভতে দেখিলা দেৱী ভুৱন চৈধ্যয়।
কৰিলন্ত তুতি আতি পৰম বিস্ময়।।৮

(২৬) **শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ ঃ** শঙ্কৰদেৱে জীৱনৰ অন্তিম বয়সত কীৰ্তনৰ এই খণ্ডটি ৰচনা কৰিছিল। ভাগৱতৰ একাদশ স্কন্ধৰ বিভিন্ন অধ্যায়ৰ পৰা ভক্তিতত্ত্বৰ গূঢ়তত্ত্ব প্ৰকাশক কাহিনী কীৰ্তনৰ এই খণ্ডটিত ব্যক্ত কৰা হৈছে।

পাছে যোগ-ধাৰণা ধৰিলা।
আপুনাক আত্মাতে থাপিলা।।

নিমিষেকে নৰ-চেষ্টা এড়ি।

বৈকুণ্ঠ্যত প্ৰৱেশিলা হৰি।।১১২ (১১শ কীৰ্তন)

(২৭) **ভাগৱতৰ তাৎপৰ্য ঃ** এই খণ্ডটিৰ সমল ভাগৱতৰ দ্বাদশ স্কন্ধৰ দ্বাদশ অধ্যায়ৰ পৰা সংগ্ৰহ কৰা হৈছে। হৰিনাম স্মৰণ তথা আৰধনাই নৱবৈষ্ণৱ ধৰ্মৰ শ্ৰেষ্ঠ দৰ্শন। এই দৰ্শন সৰলভাৱে উপস্থাপন কৰিছে শঙ্কৰদেৱে— মহাপাপী আতি অধম জাতি।

তাকো নামে কৰে পবিত্ৰ আতি।।

হেনসে নাম ধৰ্ম্ম শিৰোমণি।

পাপ-অৰণ্যৰ যেন অগনি।।১৭ (২য় কীৰ্তন)

(২৮) **উৰেষা বৰ্ণনা ঃ** উৰেষা বৰ্ণনা শঙ্কৰদেৱৰ আগবয়সৰ ৰচনা এই খণ্ড কীৰ্তন ব্ৰহ্ম পুৰাণৰ ৪৩-৫১শ, ৫৭-৬০শ আৰু ৬৩ শ সংখ্যক অধ্যায়ৰ চমু অনুবাদ। সুন্দৰ কাব্য শৈলী, ভক্তিৰ প্ৰাবল্যৰে জগন্নাথ ক্ষেত্ৰৰ অনুপম বৰ্ণনা আৰু বিবিধ ধৰ্মীয় দিশৰ অৱতাৰণাৰে এই খণ্ডটি সজ্জিত হৈছে। খণ্ডটিত একশৰণ হৰি নামধৰ্মৰ কিছু বিৰোধী অংশও জীৱনৰ আগবয়সৰ ৰচনা হোৱা বাবে হয়তো সোমাই পৰিছিল। খণ্ডটিৰ কোনো কোনো অংশত শিৱমন্ত্ৰ পাঠ, সূৰ্যবন্দনা আদিও থকাৰ বাবে মহাপুৰুষীয়া ধৰ্মৰ প্ৰধান মতৰ লগত এই খণ্ডটিয়ে সমিলতা ৰখা নাই। গতিকে প্ৰথম অৱস্থাৰ ৰচনা যদিও মাধৱদেৱে কীৰ্তন-ঘোষা সংকলন কৰোঁতে ইয়াক অন্তিম পৰ্যায়ত স্থান দিছে।

পৰিশিষ্টত অৰ্ন্তভুক্ত হোৱা কীৰ্তন কেইটিৰ বিষয়বস্তু সম্পৰ্কেও চমুকৈ দিয়া হ'ল।

১) **সহস্ৰনাম বৃত্তান্ত ঃ** শঙ্কৰদেৱৰ ব্ৰাহ্মণ শিষ্য সুকবি শেখৰ ৰত্নাকৰ কন্দলিয়ে ভাগৱতৰ দ্বিতীয় স্কন্ধৰ তৃতীয় অধ্যায়, পদ্মপুৰাণৰ স্বৰ্গখণ্ড আৰু উত্তৰ খণ্ডৰ পৰা সাৰ সংগ্ৰহ কৰি এই খণ্ডটি ৰচনা কৰিছে। ভগৱানৰ বিষ্ণু-ৰাম-সহস্ৰ নামৰ মহিমা প্ৰকাশ কৰা হৈছে উক্ত কীৰ্তনটিত। এই কীৰ্তন ৰচনা শৈলী আৰু ভক্তিতত্ত্বৰ দৰ্শনৰ ফালৰ পৰা কীৰ্তন-ঘোষাৰ অৰ্ন্তভুক্তিৰ উপযোগী।

২) **ঘুনুচা কীৰ্তন ঃ** মহেশ্বৰ নেওগ সম্পাদিত কীৰ্তন-ঘোষা আৰু নামঘোষাৰ পাতনিত উল্লেখ আছে *জগন্নাথ-পুৰাণৰ কথা বিতোপন* লৈ তাতে *আনো শাস্ত্ৰ মত আনি মিশ্ৰ কৰি* শ্ৰীধৰ কন্দলিয়ে ঘুনুচা-কীৰ্তন খণ্ডটি ৰচনা কৰিছে। কৃষ্ণই তেওঁৰ এগৰাকী পত্নী ঘুনুচাৰ মন্দিৰলৈ যাত্ৰা কৰা দেখা লক্ষীদেৱীৰ ক্ৰোধান্বিত আচৰণ খণ্ডটিৰ মূল উপজীৱ্য। বহু পৰিমাণে গ্ৰাম্যদোষ দুষ্ট স্থূল ৰচনা হোৱা বাবে ই প্ৰকৃততে কীৰ্তন-

ঘোষাৰ অৰ্ন্তভুক্ত হোৱাৰ যোগ্যতা অৰ্জন কৰা নাই বুলিও বহুতে মত প্ৰকাশ কৰে।

৩) **মাধৱদেৱৰ ভণিতা যুক্ত ধ্যানবৰ্ণন** (তৃতীয় কীৰ্তন) ঃ শুৱলা ভাষা আৰু সাৱলীল বাণীভঙ্গীৰে ভগৱানৰ ৰূপ বন্দনা কৰাৰ ভক্তিময় ধ্যানৰ পদ্ধতি উক্ত কীৰ্তনটি লিপিবদ্ধ হৈছে।

৪) **ৰুক্মিণীৰ প্ৰেম কলহ ঃ** শঙ্কৰদেৱ কৃত এই কীৰ্তনটিৰ আধাৰ হ'ল ভাগৱতৰ দশম স্কন্ধত থকা কৃষ্ণ আৰু ৰুক্মিণীৰ প্ৰেম কৌতুকৰ লীলা। এই কাহিনী নৱবৈষ্ণৱ ভক্তি ধৰ্মৰ দৰ্শনৰ গাঢ়তাৰ লগত অমিল। গতিকে কীৰ্তন-পুথিত এই খণ্ড সামৰা নহয়।

৫) **ভৃগু পৰীক্ষা ঃ** এই খণ্ডটিও শঙ্কৰদেৱে মূলৰ ৮৯ অধ্যায়ৰ পৰা সমল লৈ ৰচনা কৰিছে। ভৃগুয়ে ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ মাজৰ কোন শ্ৰেষ্ঠ দেৱতা তাৰ পৰীক্ষা লোৱাৰ কাহিনী খণ্ডটিত বৰ্ণিত হৈছে আৰু এই কাহিনীও অন্যান্য খণ্ডৰ তুলনাত তলখাপৰ আৰু কীৰ্তনপুথিৰ অৰ্ন্তভুক্তিৰ অনুপযোগী।

ওপৰৰ আলোচনাত সীমিত পৰিসৰত কীৰ্তন-ঘোষাৰ অন্তৰ্গত খণ্ডসমূহত ব্যাখ্যা কৰা আখ্যানমূলক কাহিনীৰ চমু পৰিচয় দাঙি ধৰা হ'ল।

## ২.০৬ কীৰ্তন-ঘোষাত ৰসৰ প্ৰয়োগ আৰু লোকজীৱনত তাৰ প্ৰভাৱ ঃ

সাহিত্য কলাত নিহিত আনন্দৰ আস্বাদ দিব পৰা নৱবিধ ৰসৰ পয়োভৰ কীৰ্তন-ঘোষাত ভক্তিৰ মাধ্যমেৰে ঘটিছে। কোনো কোনোৱে ভক্তিকো এবিধ সাহিত্য ৰসৰ ভিতৰত অৰ্ন্তভুক্ত কৰিব খোজে। ভৰতে তেওঁৰ নাট্যশাস্ত্ৰত শৃংগাৰ, বীৰ, অদ্ভুত, কৰুণ, হাস্য, ভয়ানক, ৰৌদ্ৰ আৰু বীভৎস — আঠটা ৰসৰ উল্লেখ কৰিছে। অন্যান্য আলংকাৰিকে শান্ত ৰস আৰু বাৎসল্য ৰসকো সাহিত্যৰ ৰসভুক্তি কৰিছে। ভগৱান বিষ্ণুৰ বন্দনা, শ্ৰীকৃষ্ণৰূপে মানৱী লীলাৰ বিচিত্ৰ কাহিনী কীৰ্তন-ঘোষাৰ ঘাই বক্তব্য। কৃষ্ণৰ চৰিত্ৰ অঙ্কণ কৰা হৈছে সৰ্বজনৰ জীৱনবোধৰ লগত সম্পৃক্ত কৰি। যশোদাপুত্ৰ কৃষ্ণ, গোপনাৰীৰ চিৰন্তন প্ৰেমিক পুৰুষ কৃষ্ণ, গোকুলৰ প্ৰজাৰ বিপদৰ বন্ধু কৃষ্ণ, গৰখীয়াৰ লগৰীয়া কৃষ্ণ— অৱতাৰী পুৰুষগৰাকীৰ বাস্তৱিক জীৱনৰ প্ৰেম, সংগ্ৰাম, জীৱিকা সকলোতে মানৱ মনে উপলব্ধি কৰা স্বাভাৱিক ৰসবোধৰ প্ৰকাশ পাইছে। কীৰ্তন-ঘোষাৰ খণ্ড সমূহত উক্ত সাহিত্যিক ৰসসমূহ সাৱলীল ভাৱে চিত্ৰিত হৈছে। অৰ্থাৎ জীৱনবোধ ত্যাগ কৰি কেৱল তাত্ত্বিক দৰ্শনমাত্ৰ নীতিশিক্ষাৰ পুথি কীৰ্তন-ঘোষা কোনোপধ্যে নহয়।

কীৰ্তন-ঘোষাত সন্নিবিষ্ট ৰসসমূহৰ উল্লেখ কৰা হ'লঃ

| স্থায়ীভাৱ | ৰস | কীৰ্তনৰ খণ্ড |
|---|---|---|
| ৰতি | শৃংগাৰ | ৰাসক্ৰীড়া, হৰমোহন, কুঁজীৰ বাঞ্ছাপূৰণ, গজেন্দ্ৰোপাখ্যান |
| হাস | হাস্য | হৰমোহন, শিশুলীলা |
| শোক | কৰুণ | ৰাসক্ৰীড়া, গোপী উদ্ধৱ সংবাদ, শ্ৰীকৃষ্ণ বৈকুণ্ঠ প্ৰয়াণ, শিশুলীলা-কালিদমন, কংসবধ |
| ক্ৰোধ | ৰৌদ্ৰ | প্ৰ াদ চৰিত্ৰ, স্যমন্তক হৰণ, জৰাসন্ধৰ যুদ্ধ, মুচুকুন্দ স্তুতি |
| উৎসাহ | বীৰ | কংসবধ, স্যমন্তক হৰণ, কালিয়দমন, জৰাসন্ধৰ যুদ্ধ, কালযৱনৰ বধ |
| ঘৃণা | বীভৎস | প্ৰ াদ চৰিত্ৰ, মুচুকুন্দ স্তুতি, অজামিল উপ্যাখ্যান |
| বিস্ময় | অদ্ভুত | প্ৰ াদ চৰিত্ৰ, শিশুলীলা, নাৰদৰ কৃষ্ণদৰ্শন, |
| শম | শান্ত | প্ৰ াদ চৰিত্ৰ |
| মাতৃ- পুত্ৰৰ স্নেহ ভাৱাপন্নচিত্ত বৃত্তি, বা অপত্যস্নেহ | | বাৎসল্য শিশুলীলা, দৈৱকীৰ পুত্ৰ আনয়ন |

**শৃংগাৰ ৰস ঃ** ৰতি স্থায়ী ভাৱৰ পৰা শৃংগাৰ ৰসৰ উৎপত্তি। শঙ্কৰদেৱৰ কীৰ্তন-ঘোষাৰ অন্তৰ্গত হৰমোহন, ৰাস-ক্ৰীড়া, কুঁজীৰ বাঞ্ছা পূৰণ খণ্ডকেইটিত শৃংগাৰ ৰসাত্মক সাৱলীল বৰ্ণনাই ভক্তিৰসক বিশেষভাৱে সমৃদ্ধ কৰিছে। হৰমোহন খণ্ডটিত মহাযোগী শিৱৰ ভগৱান বিষ্ণুৰ মোহিনী নাৰীবেশ প্ৰত্যক্ষ কৰি হোৱা কামনাবিহ্বল অৱস্থাৰ সাৱলীল বৰ্ণনা আছে। কিন্তু ভক্তিময় ধ্যানৰ জৰিয়তে মহাদেৱে পুনৰ চেতন ঘূৰাই পাইছে। সেইদৰে, ৰাসক্ৰীড়া খণ্ডটিতো সুন্দৰভাৱে শৃংগাৰ ৰসাত্মক বৰ্ণনাই স্থান পাইছে। তাৰ মাজতো গোপীৰ প্ৰেম ভক্তি আৰধনালৈ ৰূপান্তৰিত হৈছে। আকৌ, কুঁজীৰ বাঞ্ছাপূৰণ খণ্ডটিতো ভক্তিসহকাৰে কৃষ্ণক চন্দনৰ তিলক পিন্ধোৱাৰ পূণ্যৰ ফলত দিব্য সুন্দৰীলৈ পৰিৱৰ্তিত হোৱা নাৰীগৰাকীৰ প্ৰেম বিহ্বল ভক্তিত/ৰতি সুলভ আহ্বানত শৃংগাৰ ৰস প্ৰকাশ পাইছে।[ঘ]

**প্ৰসঙ্গটোকা ঃ** (ঘ)

১। হাসি লাজে আঁৰ হোন্ত ইগাছে সিগাছে। /ভোল হুয়া শঙ্কৰো খেদন্ত পাছে পাছে।।
হস্তিনীক যেন মত্ত হস্তী যায় খেদি। /পলান্ত সুন্দৰী শঙ্কৰক লাগ নেদি।।৪৩ (পঞ্চম কীৰ্তন, হৰমোহন)

২। গোপীগণ লৈয়া নামিলা তাত। /কৰিলা ক্ৰীড়া কৃষ্ণে অসংখ্যাত।।
বাহু মেলি কাকো আলিঙ্গি ধৰি। /কাৰো স্তন নখে পৰখি হৰি।।৩৭ (চতুৰ্থ কীৰ্তন, ৰাসক্ৰীড়া)

**হাস্যৰস ঃ** হাস স্থায়ীভাৱেৰে হাস্য ৰসৰ উৎপত্তি হয়। কীৰ্তন-ঘোষাৰ বিভিন্ন খণ্ডত হাস্যৰসৰ পয়োভৰ ঘটিছে।

তোমাৰেসে কৰি দিবো পাৰ্বতীক ছেড়ী

আৰ প্ৰাণেশ্বৰী যোনো যাস মোক এড়ি।।৫০

... ... ...

স্ত্ৰী বুলি বৃক্ষক চুম্বন্ত আঙ্কোৱালি।

দেখিয়া হাসন্ত নাৰীৰূপী বনমালী।।

অনন্তৰে হৰে চক্ষু মেলি চান্ত পাছে।

দেখন্ত নুহিকে কন্যা ধৰি গাছে।।৫৪ (ষষ্ঠ কীৰ্তন, হৰমোহন ইত্যাদি)

**কৰুণ ৰস ঃ** শোক স্থায়ী ভাৱেৰে কৰুণ ৰসৰ নিষ্পত্তি হয়। কীৰ্তন-ঘোষাৰ কালিয়-দমন, ৰাসক্ৰীড়া, শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ, গোপী-উদ্ধৱ সংবাদ আদি খণ্ডত কৰুণ ৰসৰ বেছি ব্যৱহাৰ হৈছে। কালিয় দমন খণ্ডত শিশু কৃষ্ণক কালি নাগে দংশন কৰাৰ বাতৰি লাভ কৰোঁতে মাতৃ যশোদাৰ বিলাপ মৰ্মস্পৰ্শী আৰু কৰুণ ৰসেৰে ভৰপূৰ।

যশোদা সুন্দৰী নন্দ গোৱালে।

পাৰন্ত লোটাৰি পাৰি নিঢালে।।

কি ভেল পুত্ৰ বুলি উকি দিয়া।

দুহাত আছাৰি ঢাকুৰে হিয়া।।১৩৭ ইত্যাদি..

**ৰৌদ্ৰৰস ঃ** ৰৌদ্ৰৰসৰ মাজত ক্ৰোধৰ উগ্ৰতাৰ ভাৱ স্পষ্টকৈ প্ৰকাশ পায়। উদাহৰণ স্বৰূপে,

হিৰণ্যকশিপু শুনিয়া হেন।

ক্ৰোধত আতি কাম্পে যম যেন।।

ঝঙ্কাৰে মাথা কৰি আতি দৰ্প।

লাঠি পাই যেন ফোকাৰে সৰ্প।। ১৭২ (ষোড়শ কীৰ্তন, প্ৰ াদ চৰিত্ৰ)

**বীৰৰস ঃ** বীৰত্বপূৰ্ণ উক্তি, যুদ্ধৰ বৰ্ণনাত বীৰৰস প্ৰস্ফুটিত হৈ উঠে। কীৰ্তন ঘোষাত—

দুয়ো হুয়া মহাক্ৰোধে।

লগাইলেক ঘোৰ যুদ্ধ।।

দুয়ো মাতঙ্গৰ লীলা।

বৰিষে পৰ্ব্বত শিলা।।২৬ (চতুৰ্থ কীৰ্তন, স্যমন্তক হৰণ)

**ভয়ানক ৰস ঃ** ভয় বা ত্ৰাসৰ সৃষ্টি কাৰক ভয়ানক ৰসৰ প্ৰয়োগো কিছু পৰিমাণে কীৰ্তন ঘোষাত পোৱা যায়। যেনেঃ

অদ্ভুত দেখিয়া দৈত্যপতি ভৈলচুপ।

নুহি সিংহ নুহি ইটো মনুষ্যৰ ৰূপ।।

ঘোৰ মূৰ্ত্তি ধৰি নৰসিংহ ভৈলাবাজ।

দেখি মহাত্ৰাসে কাম্পে দানৱ সমাজ।। (কীৰ্তন, প্ৰ াদ চৰিত্ৰ)

**বীভৎস ৰস ঃ** ঘৃণা বীভৎস ৰসৰ মূল ভাৱ। কীৰ্তন-ঘোষাত এই ৰসৰ প্ৰয়োগ প্ৰায় কম। তথাপিও মুচুকুন্দ স্তুতি খণ্ডত সামান্য আভাস পোৱা যায়।৩২ (তৃতীয় কীৰ্তন)

**অদ্ভূত ৰস ঃ** বিস্ময় ভাৱৰ পৰা অদ্ভূত ৰসৰ সৃষ্টি হয়। উদাহৰণ স্বৰূপে—

দৈত্য জিনি তেজিলা আটাস।

পলায় দিগ্‌গজ হুয়া ত্ৰাস।।

ঝাঙ্কাৰন্তে শিৰৰ কেশৰ।

উড়ায় সৰে বিমান স্বৰ্গৰ।।২০৩ (১৮ শ কীৰ্তন)

**শান্তৰস ঃ** গভীৰ নিৰাসক্তিৰ ভাৱৰ পৰা শান্ত ৰসৰ উদ্ভৱ হয়। ভক্তিৰ সমাহিত ৰূপত শান্ত ৰস প্ৰকাশ পাইছে। শৰত বিদ্ধ হোৱা শ্ৰীকৃষ্ণৰ বাণীত শান্ত ৰসৰ প্ৰকাশ পাইছে। গভীৰ নিৰাসক্তি মূলক চেতনাত শ্ৰীকৃষ্ণই ব্যাপক প্ৰবোধ বাণীহে প্ৰদান কৰিছে—

মাধৱে বোলন্ত শুনিয়া জৰা।

উঠিয়ো সত্বৰে ভয় নকৰা।।

কৰিলা আমাৰ বাঞ্ছা সফল।

মোৰ বৰে আৰে স্বৰ্গক চল।।১০০ (নৱম কীৰ্তন, শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰায়ণ)

**বাৎসল্য ৰস ঃ** মাতৃ আৰু সন্তানৰ মাজৰ গভীৰ বাৎসল্য প্ৰেমৰ ফলত বাৎসল্য ৰসৰ উদ্ভৱ হয়। কীৰ্তনৰ শিশুলীলা আৰু দৈৱকীৰ পুত্ৰ আনয়ন খণ্ড বাৎসল্য ভক্তিৰসেৰে ভৰপূৰ। ১৫ (দ্বিতীয় কীৰ্তন, শিশুলীলা), ২৬ (তৃতীয় কীৰ্তন, দৈৱকীৰ পুত্ৰ আনয়ন)।

এইদৰে নানা ৰসৰ প্ৰয়োগে হৃদয় স্পৰ্শ কৰাত কীৰ্তন পুথিয়ে লোকজীৱনত জনপ্ৰিয়তা লাভ কৰিছে।

**২.০৭ কীৰ্তন-ঘোষাত প্ৰয়োগ হোৱা ছন্দঃ** শঙ্কৰদেৱৰ ৰচনাৰ মাজেদিয়ে অসমীয়া কাব্য জগতত এক বিশিষ্ট ছন্দৰীতিৰ সূচনা হৈছিল। বিশেষকৈ কীৰ্তন-ঘোষাৰ ৰচনাশৈলীত শঙ্কৰদেৱে প্ৰয়োগ কৰা ছন্দ-সজ্জা অতুলনীয়। পুথিখনি সুৰ লগাই পাঠ কৰাৰ উদ্দেশ্যে অৰ্থাৎ নাম-প্ৰসঙ্গৰ বাবে কৰা হৈছিল, গতিকে শঙ্কৰদেৱে ইয়াত একাধিক ছন্দসজ্জাৰ প্ৰয়োগ কৰিছিল। শংকৰদেৱে মুঠতে ছয় প্ৰকাৰৰ ছন্দসজ্জা কীৰ্তন-ঘোষা ৰচনা কৰোঁতে ব্যৱহাৰ কৰিছিল। সেইবোৰ হ'ল-

**পয়াৰ ছন্দ ঃ** এই ছন্দসজ্জা ৮ + ৬ মাত্ৰাৰ। কীৰ্তন-ঘোষাৰ পৰা এটি উদাহৰণ।

প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন।
সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ।।
তযু নাভি কমলত ব্ৰহ্মা ভৈলজাত।
যুগে যুগে অৱতাৰ ধৰা অসংখ্যাত।। (১ম কীৰ্তন, চ.অ.ব)

**ঝুনা ছন্দ ঃ** এই ছন্দসজ্জা ৬ + ৫ মাত্ৰাৰ আৰু চাৰিটা স্তৱকেৰে একোটি স্তৱক ৰচনা কৰা হৈছে।

আছে ৰাজহংস সমূহে ৰঞ্জি।
লীলায়ে মৃণাল ভুঞ্জে উভঞ্জি।।
পাৰে পাৰিজাত মলয়া বাৱ।
চটকৈ ত্যজে সুললিত ৰাৱ।। (১ম কীৰ্তন, ধ.ব)

**ঝুমুৰা ছন্দ ঃ** দুটাকৈ চৰণ সন্নিবিষ্ট আৰু দুয়োটা চৰণতে দুটাকৈ পৰ্ব, প্ৰতি পৰ্বত চাৰিটা অক্ষৰ অৰ্থাৎ ৪+৪+৪+৪=১৬ বিন্যাসেৰে ঝুমুৰা ছন্দ নিৰ্মাণ কৰা হৈছে। কীৰ্তন-ঘোষাৰ যুদ্ধাদি বৰ্ণনাৰে কীৰ্তনত এই ছন্দৰ প্ৰয়োগ হৈছে। যেনেঃ

দুয়ো হুয়া মহাক্ৰোদ্ধ।
লগাইলেক ঘোৰ যুদ্ধ।।
দুয়ো মাতঙ্গৰ লীলা।
বৰিষে পৰ্ব্বত-শিলা।।২৬ (৪ৰ্থ কীৰ্তন, স.হ)

**দুলড়ী ছন্দ ঃ** এই ছন্দসজ্জা (৬+৬+৮, ৬+৬+৮)ৰ। কীৰ্তন-ঘোষাৰ পৰা—

পাছে ত্ৰিনয়ন        দিব্য উপবন

দেখিলন্ত বিদ্যমান।

ফল-ফুল ধৰি        ঝকমক কৰি

আছে য'ত বৃক্ষ মান।। (৩য় কীৰ্তন, হ.ম.)

**ছবি ছন্দ ঃ** এই ছন্দসজ্জা ৮+৮+১০ মাত্ৰাৰ।

যেনেঃ  কণ্ঠে লুলে সাতসৰী        লয়লাসে কাঢ়েভৰি

আগবাঢ়ি পাছ গুৰি যান্ত।

পিন্ধি শাৰী খোণ্টাজালি        যেনে মৈৰা কৰে ছালি

হুৰক কটাক্ষ কৰি চান্ত।। (৪ৰ্থ কীৰ্তন, হ.ম.)

**মালতী ছন্দ ঃ** একে অক্ষৰ বিন্যাস হ'লেও যতি স্থাপন কৰি অগা-পিচাকৈ উচ্চাৰণ কৰিব লগা হোৱা ছন্দসজ্জাই মালতী ছন্দসজ্জা। এই ছন্দসজ্জা ৮+৭মাত্ৰাৰ।

যাইবে যেবে নোৱাৰা/কান্ধত উঠা আসি/   (৭ম কীৰ্তন, ৰা.ক্ৰী)

বিবিধ ছন্দসজ্জাৰ প্ৰয়োগেৰে পুথিখনিৰ পঠন অতি মনোৰম কৰি তুলিছে। ইতিমধ্যে প্ৰচলিত ছন্দসজ্জাৰ উপৰিও নিজা নব্য সৃষ্ট ছন্দশৈলীয়ে শঙ্কৰদেৱৰ কীৰ্তন-ঘোষা সমৃদ্ধ কৰি ৰাখিছে। কীৰ্তনত সন্নিৱিষ্ট কাহিনীৰ নাটকীয় উপস্থাপন, কাব্যিক লয়ৰ বহুমাত্ৰিক গতি, ভগৱানৰ অলৌকিক ব্যাপ্তিৰ সৈতে বাস্তৱৰ সমিলতা প্ৰদান ইত্যাদি বিবিধ দিশৰ সৰস আৰু সাৱলীল বৰ্ণনা বাবে শঙ্কৰদেৱে ছন্দ শিল্পৰ সহায় লৈছিল আৰু নিজেও কেইবাপ্ৰকাৰৰ ছন্দ সজ্জাৰ সৃষ্টি কৰিছিল।[৬] তেওঁ সৃষ্টি কৰা বিশিষ্ট ছন্দ কেইটা হ'ল কুসুমমালা (৬+৬), হংসমালা, পাঞ্চালী (এই সজ্জাত উভয় চৰণৰ পৰিমাণ সমান নহয়), ঝমক, ঝুমুৰা (৪+৪), আৰু লনি-দুলড়ী।

## ২.০৮ কীৰ্তন-ঘোষাত প্ৰয়োগ হোৱা অলংকাৰ আৰু লোকমনত সৃষ্টি কৰা সন্মোহন ঃ

মানৱ সমাজত দৈহিক সৌন্দৰ্যবৃদ্ধিৰ বাবে স্বাভাৱিকতে বিবিধ আভৰণ তথা অলংকাৰৰ ব্যৱহাৰ

**প্ৰসঙ্গটোকা ঃ** (৬) *ছন্দশিল্পী হিচাপে শঙ্কৰদেৱৰ অমৰ কীৰ্তি হ'ল— তেওঁ অসমীয়া ছন্দৰ যিখিনি সম্পদ স্থূল আকৰিকৰ ৰূপত পাইছিল, সেইখিনিকে তেওঁৰ অসামান্য প্ৰতিভাৰ পৰশেৰে অমুঠি হীৰাৰ ৰূপত এৰি থৈ গ'ল। সলসলীয়াকৈ ক'বলৈ হ'লে তেওঁ এই কেইপদ অৱিহণা যোগাই থৈ গ'ল ঃ প্ৰথম যৌগিক ৰীতিৰ সকলোখিনি শিথিলতা আঁতৰাই ইয়াক নিখুঁত ৰূপত ফুটাই তুলিলে। দ্বিতীয় তেওঁ কেইটামান হেৰাব খোজা ছন্দসজ্জা পাহৰণিৰ বুকুৰ পৰা থপিয়াই আনি সিবিলাকৰ গাত হেঙুল হাইতাল চৰাই আটক ধুনীয়াকৈ সজাই উলিয়ালে, তৃতীয় তেওঁ ছন্দবীণাৰ তাঁৰত আঙুলি বুলাই কেইটামান অতি সূক্ষ্ম শ্ৰুতিৰূপময় অভিনৱ ছন্দসজ্জাৰ সন্ধান দি থৈ গ'ল। সদৌশেষত, তেওঁ এটা নবীন ছন্দগীতৰ যোগান ধৰি অসমীয়া ছন্দজগতৰ এক নতুন দিগন্ত উন্মোচন কৰি থৈ গ'ল। (মহেন্দ্ৰ বৰা, ছন্দোগুৰু শঙ্কৰদেৱ)*

কৰা হয়। সাহিত্যৰ সৌন্দৰ্য বৃদ্ধিৰ বাবেও সেইদৰেই সাহিত্যিক অলংকাৰ প্ৰয়োগ কৰা হয়। অলংকাৰযুক্ত ভাষাই সাহিত্যত কাব্যৰ শোভা নাইবা ৰমনীয়তা বৃদ্ধি কৰে। শব্দ আৰু অৰ্থৰ সাৰ্থক যুগলৰূপে সাহিত্যত কাব্যৰ সৃষ্টি কৰে। কাব্যত অলংকাৰৰ প্ৰয়োগে ৰমনীয়তা প্ৰতিপন্ন কৰে।

আচাৰ্য বামনে মত প্ৰকাশ কৰিছে 'কাব্যং গ্ৰাহ্যমলঙ্কাৰাৎ। সৌন্দৰ্য মলঙ্কাৰঃ।[১৩]

সৌন্দৰ্য তথা ৰমণীয়তা সাধনৰ বাবেই কাব্যত অলংকাৰ ব্যৱহাৰ কৰা হয়। শঙ্কৰদেৱে কীৰ্তন-ঘোষাত শব্দালংকাৰ আৰু অৰ্থালংকাৰৰ বিবিধ ভাগসমূহ সাৰ্থকভাৱে প্ৰয়োগ কৰিছে। শঙ্কৰদেৱৰ মধুৰ ভাষাৰে *কষটিত যেন সোণাৰ ৰেখাৰ* দৰে ধৰ্ম, তত্ত্ব, দৰ্শনক সাহিত্যৰ বিবিধ অলংকাৰেৰে কীৰ্তন ঘোষাৰ খণ্ডসমূহ সজ্জিত কৰা হৈছে। অলংকাৰৰ যথোপযুক্ত ব্যৱহাৰৰ বাবে কীৰ্তনৰ বৰ্ণনা সমূহৰ আবেদন বৃদ্ধি হৈছিল আৰু সহজে মানুহক আকৃষ্ট কৰিছিল।

**শব্দালংকাৰ ঃ**

(১) **অনুপ্ৰাস ঃ** অনুপ্ৰাস অলংকাৰত সদৃশ ব্যঞ্জনবৰ্ণ ওচৰা-ওচৰিকৈ বিন্যাস হয়। অনুপ্ৰাসৰ পাঁচটা ভাগ আছে— অন্ত্যানুপ্ৰাস, ছেকানুপ্ৰাস, বৃত্তানুপ্ৰাস, লাটানুপ্ৰাস আৰু শ্ৰুত্যনুপ্ৰাস।

কীৰ্তন-ঘোষাৰ পৰা অনুপ্ৰাসৰ উদাহৰণ দিয়া হ'লঃ

ক) অন্ত্যানুপ্ৰাস — ৰতি-শ্ৰান্ত ভৈলা যত গোপিনী।
দেখি হস্ত-পদ্মে হৰি আপুনি।।
কৃপায়ে সৱাৰো মাজিলা মুখ।
মিলিল মনে মহোৎসৱৰ-সুখ।।১৫২ (১৪শ কীৰ্তন, ৰা.ক্ৰী.)

খ) ছেকানুপ্ৰাস — দুইকো দুইৰো নাহি তুষ্টি।
হানে বজ্ৰ-সম মুষ্টি।। (৪ৰ্থ কীৰ্তন, স্য.হ)

(২) **যমক ঃ** এটা শব্দৰ একে ঠাইতে ভিন্ন ভিন্ন অৰ্থত ব্যৱহাৰ কৰিলে তাক যমক বোলে।

যেনে ঃ কটাক্ষে জীয়ালা দমিলা কালী।
হ্ৰদৰ খেদাইলা তাক নিকালি।। (কা.দ.)

(৩) **শ্লেষ ঃ** কাব্যত ব্যৱহৃত এটা শব্দৰে একাধিক অৰ্থ ব্যঞ্জিত হ'লে শ্লেষ অলংকাৰ সিদ্ধ হয়। কীৰ্তন-ঘোষাত এই অলংকাৰৰ প্ৰয়োগ কম যদিও দুই এটা পোৱা যায়। যেনে-

(১) পাইলেক বৰ যত গোপবালা। (ৰা.ক্ৰী.)

---

১৩. তীৰ্থনাথ শৰ্মা, *সাহিত্য বিদ্যাপৰিক্ৰমা*, পৃ.৪৫

(২) স্বৰ্গৰো আনিলা হৰি পুষ্প পাৰিজাত। (কৃ.লী.মা.)

(৪) **বক্ৰোক্তি ঃ** বক্তাৰ বাক্যৰ পোনেপোনে অৰ্থ গ্ৰহণ নকৰি শ্ৰোতাই অন্যভাৱে অৰ্থ বুজিলে, বক্ৰোক্তি অলংকাৰ সিদ্ধ হয়।

যেনে ঃ ক) সন্ধ্যাত তোমাৰ মুখ দেখি এৰাঁও ক্লেশ।

কিনো মন্দ ব্ৰহ্মা তাতো স্ৰজিলা নিমেষ।। (কীৰ্তন)

খ) সূৰ্যৰ কাষত যিটো থাকে।

তাক কি আন্ধাৰে আৰ ঢাকে।। (কীৰ্তন)

(৫) **পুনৰুক্ত বদাভাস ঃ** দুটা অৰ্থ ভিন্ন অথচ একে উচ্চাৰণ শব্দৰ ব্যৱহাৰ কৰি সৃষ্টি হোৱা অলংকাৰক পুনৰুক্ত বদাভাস বোলে। যেনেঃ উৰু কৰিকৰ ভুজ ভুজংগ সাক্ষাত।। (কীৰ্তন)

**অৰ্থালঙ্কাৰ ঃ**

(১) **উপমা ঃ** কোনো বস্তু অন্য বিশেষ বস্তুৰ দৰেই বুজাবলৈ অৰ্থাৎ সাদৃশ্যসূচক বস্তু যেন, হেন, সম ইত্যাদি সংযোগৰে তুল্যস্বৰূপ কৰি বুজালে উপমা অলংকাৰ সিদ্ধ হয়। কীৰ্তন-ঘোষাত উপমা অলংকাৰৰ ব্যৱহাৰ সৰ্বাধিক।

ক) উৰু কৰিকৰ-সমসাক্ষাত।। (১ম কীৰ্তন, ধ্যা.ব.)

খ) লহ-লহ কৰে জিহ্বা যেন ক্ষুৰ-ধাৰ। (১৭শ কীৰ্তন, প্ৰ.চ.) ইত্যাদি।

(২) **ৰূপক ঃ** বিশেষ বস্তুৰ অতিসাদৃশ্য হোৱা হেতুকে অভেদ-প্ৰধান গুণেৰে সেই বস্তুক প্ৰাধান্য দিলে, ৰূপক অলংকাৰ সিদ্ধ হয়। কীৰ্তন-ঘোষাত সীমিতভাৱে এই অলংকাৰক প্ৰয়োগ হৈছে। যেনেঃ

কংসৰ পাঞ্চনি পাই যত দৈত্য আসে।

তুমি অগনিত যেন পুৰি মৰে ঝাসে।। (১ম কীৰ্তন, শি.লী) ইত্যাদি।

(৩) **ব্যতিৰেক অলংকাৰ ঃ** উপমেয়ক উপমানতকৈ উৎকৃষ্ট বা নিকৃষ্ট কৰি দেখুওৱা অলংকাৰেই ব্যতিৰেক অলংকাৰ।

যেনেঃ অৰুণ নখ চন্দ্ৰমাৰ শাৰী। (২য় কীৰ্তন, ধ্যা.ব.)

(৪) **উৎপ্ৰেক্ষা অলংকাৰ ঃ** প্ৰৱল সাদৃশ্য আৰোপ কৰি সিদ্ধ হোৱা অলংকাৰেই উৎপ্ৰেক্ষা অলংকাৰ।

যেনেঃ যাৰ উৰঃস্থলে ছটা দেখিয় লক্ষীৰ।

শ্যামল মেঘত যেন বিজুলী সুথিৰ।। (ৰাসক্ৰীড়া)

(৫) **অপহ্নুতি অলংকাৰ ঃ** উপমেয়ক গোপনে ৰাখি বা অস্বীকাৰ কৰি উপমানক উজ্জ্বল কৰি দেখুৱালে অপহ্নুতি অলংকাৰ পোৱা যায়।

যেনেঃ মৃগ-মুখাকাৰ দেখিয়া ভৰি।

মাৰিল ব্যাধে শৰ লক্ষ্য কৰি।। (৮ম কীৰ্তন, শ্ৰী.বৈ.প্ৰ.)

(৬) **ভ্ৰান্তিমান ঃ** প্ৰৱল সাদৃশ্যৰ বাবে কোনো বস্তুক অন্য বস্তু বুলি ভ্ৰম হ'লে এই অলংকাৰ সিদ্ধ হয়।

যেনে ঃ ৰত্নৰ চাৰু কুন্দৰখ জালে।

ধূপধ্রুমচয় বজায় বোম্বালে।।১৮

মেঘ বুলি তাক ময়ূৰ গণে।

গৃহত পড়িয়া নাচে সঘনে।। (২য় কীৰ্তন, না.কৃ.)

(৭) **অতিশয়োক্তি ঃ** আতিশয্য থকা উক্তি অৰ্থাৎ লোক সমাজৰ সাধাৰণ দৃষ্টিতকৈ ঊৰ্ধত অলৌকিক বৰ্ণনাই এই অলংকাৰ সিদ্ধ কৰে। যেনে ঃ

আৰ কি আসিব নন্দৰ পুৰ।

কৈসানি দেখিবো মুখ প্ৰভুৰ।।২১

পৰে নকান্দন্তে চক্ষুৰ পানী।

উদ্ধৱে প্ৰবোধি বুলিলা বাণী।। (গো.স.)

(৮) **নিদৰ্শনা ঃ** কাব্যত সাদৃশ্যৰ প্ৰতি লক্ষ্য ৰাখি বাস্তৱত অসম্ভৱ কিন্তু কল্পনাত সম্ভৱ ৰূপে দেখুওৱা অলংকাৰেই নিদৰ্শনা অলংকাৰ।

যেনে ঃ যদ্যাপি অজিত তুমি তিনিও জগতে।

তথাপি তোমাক জিনৈ সেহিসে ভকতে।।

মুকুতি ৰসক স্ৰৱে তোমাৰ ভকতি।

তাক এৰি যিটো জ্ঞানপথ কৰে ৰতি।।

ক্লেশমাত্ৰ পাৱে সিটো নিস্ফল প্ৰয়াসে।

বাহান পতান যেন তণ্ডুলৰ আসে।। (৭ম কীৰ্তন, শি.লী.)

(৯) **অৰ্থান্তৰ ন্যাস ঃ** কোনো বিশেষ উক্তি প্ৰতিষ্ঠা কৰিবৰ বাবে অন্য সমৰ্থনাত্মক উক্তি উপস্থাপন কৰিলে অৰ্থান্তৰ ন্যাস অলংকাৰ সিদ্ধ হয়। যেনে—

বিষ বুলি অমৃতক পিৱৈ যিটো নৰ।
নুহিবেক হেন জানা অজৰ-অমৰ।।
যেন তেন মতে মাত্ৰ স্মৰোক সততে।
এতেকে মুকুতি পাৱৈ কৰিলো বেকতে।। (কীৰ্তন)

(১০) **বিৰোধ অলংকাৰ ঃ** দুটা পৰস্পৰ বিৰোধী কথা অথচ তাৎপৰ্যৰ সমিলতা থাকে, তেনে অৰ্থ প্ৰকাশক অলংকাৰেই বিৰোধ অলংকাৰ।

যেনে ঃ শুতি থাকা ভুজঙ্গ শয্যাত।
তুমি ব্ৰহ্ম ব্যাপক সাক্ষাত।। (কীৰ্তন)

এনে উদাহৰণ সমূহৰ যোগেদি এই কথা প্ৰতীয়মান হয় যে- সমগ্ৰ 'কীৰ্তন' খনিৰ মাজত অলংকাৰৰ প্ৰয়োগ এক বিশেষ দিশ। অলংকাৰৰ সুপ্ৰয়োগৰ বাবে পদ সমূহ মনত ৰৈ যায় আৰু মনত ৰেখাপাত কৰে। অসমীয়া লোকজীৱনত কীৰ্তন-ঘোষাৰ এক বিশেষ ধৰণৰ সন্মোহনৰ দিশ এই ধৰণৰ অলংকাৰৰ প্ৰয়োগেই নিশ্চিত কৰিছে।

**২.০৯ অসমৰ সামাজিক জীৱন শৃংখলিত কৰাত কীৰ্তন-ঘোষাৰ ভূমিকা ঃ**

পাঁচ শতাধিক বৰ্ষৰ আগতেই শঙ্কৰদেৱে অসমৰ প্ৰাদেশিক ভাষাত শাস্ত্ৰ ৰচনা কৰি বিশৃংখল সামাজিক পৰিস্থিতিক স্থিৰমাত্ৰা প্ৰদান কৰিছিল। অসংখ্য ৰাজনৈতিক, সামাজিক প্ৰতিকূলতাৰ মাজতো শঙ্কৰ-মাধৱে বিশাল সাহিত্য আন্দোলনৰ গুৰি ধৰিছিল। উক্ত আন্দোলন স্বাভাৱিকতে ধৰ্মাশ্ৰয়ী আছিল। কীৰ্তন-দশম-ঘোষা-ৰত্নাৱলী শঙ্কৰ মাধৱৰ পবিত্ৰ চাৰিপুথিক অসমীয়া সমাজে থাপনাত ৰাখি এক পৰিশীলিত জীৱনচৰ্যা যাপন কৰাৰ মূল বিন্দুও আছিল সেই সময়।

শঙ্কৰদেৱে সম-সাময়িক অনাখৰী সমাজখনলৈ লক্ষ্য ৰাখি পুৰণি অসমীয়া ভাষা বা কামৰূপী ভাষা অৰ্থাৎ কথিত ভাষাক আশ্ৰয় কৰি সাৰ্বজননীন শিক্ষা দিয়াৰ পোষকতা কৰিছিল। সেই বাবে তেওঁ ধৰ্ম সাহিত্য, ৰচনাৰ মাধ্যমৰূপে প্ৰধানকৈ পুৰণি অসমীয়া কথিত ভাষাক গ্ৰহণ কৰিলে সাহিত্যিক মান্য ভাষাৰ মৰ্যাদা দি ব্যৱহাৰ কৰিবলৈ। এই ভাষাশৈলীয়ে সৰ্বসাধাৰণৰ অন্তৰ পৰশিবলৈ সক্ষম হ'ল। শঙ্কৰদেৱে তেওঁৰ ধৰ্মমতৰ প্ৰধান দিশসমূহ কীৰ্তন-ঘোষাৰ মাজত সংৰক্ষণ কৰিলে। তেওঁ বহু দেৱ-দেৱীৰ পৰিৱৰ্তে

এজন প্ৰধান দেৱতা (বিষ্ণু)ৰ উপাসনা কৰিবলৈ শিকালে, ধৰ্মৰ দোহাই দি কৰা অমানৱীয় ৰীতি-নীতি আৰু শ্ৰেণী-বৈষম্য আঁতৰাই এক বিশিষ্ট সমাজ-নীতিৰ সংৰচনা কৰিলে। ধৰ্মৰ কঠিন তত্ত্বসমূহ অতি সৰলভাৱে কীৰ্তন-ঘোষাৰ ঘোষা-পদৰ মাধ্যমেৰে সাধাৰণ জনতাৰ হৃদয়ত সুমুৱাই দিবলৈ তেওঁ সক্ষম হৈছিল আৰু জাতীয় জীৱন শৃংখলিত কৰাত অভূতপূৰ্ব সফলতা অৰ্জন কৰিছিল। শঙ্কৰদেৱে জাতীয় জীৱনক শৃংখলিত কৰাৰ ক্ষেত্ৰত লোৱা বিশেষ ভূমিকাসমূহক সন্দৰ্ভত বেজবৰুৱাই বহু আগেয়েই নিজৰ মন্তব্য আগবঢ়াইছে—

> অসমীয়াক ধৰ্ম, ভাষা, সাহিত্য, সমাজ, নীতি, সদাচাৰ, মনুষ্যত্ব আদিৰ পৰা সংগীত, বিদ্যা চিত্ৰকলাৰ আমোদ আনন্দলৈকে সকলোবোৰ, মুঠতে জাতীয়তা গঠন কৰাৰ নিমিত্তে যি যি আৱশ্যক সকলো শঙ্কৰদেৱে দান কৰি গৈছে।[১৪]

ধৰ্মত সাংস্কৃতিক সৌন্দৰ্য আৰোপ কৰি মানৱিক দৃষ্টিভংগীৰ জৰিয়তে বিশাল কৰ্ম-আন্দোলনৰ আঁত ধৰি শংকৰদেৱে দেখুওৱা পথৰ বিশ্লেষণ কৰি দেখুওৱাৰ প্ৰয়াস কৰা হ'লঃ

ক) **সৰল ধৰ্মৰ প্ৰৱৰ্তন ঃ** বহু দেৱদেৱীৰ মাজত একমাত্ৰ ভগৱান বিষ্ণুক মূল দেৱতা হিচাবে প্ৰতিষ্ঠা কৰিলে শঙ্কৰদেৱে। সমসাময়িক তান্ত্ৰিক সমাজৰ খৰচী আৰু ভয়াবহ বিধি-বিধানৰ উপচাৰেৰে ধৰ্ম সাধনাৰ জটিলতম মাৰ্গ পৰিহাৰ কৰি ভক্তিৰ মাধ্যমেৰে ভগৱান প্ৰাপ্তিৰ দ্বাৰ মুকলি কৰা হ'ল। এই ভক্তিৰ পথ অতি সৰল আৰু সুন্দৰ সাংস্কৃতিক পৰিক্ৰমাৰে পৰিবেষ্টিত। শঙ্কৰদেৱে কীৰ্তন-ঘৰ পিছৰ কালৰ নামঘৰৰ বীজ ৰোপনেৰে শ্ৰৱণ-কীৰ্তনৰ সমূহীয়া চৰ্চাৰ দ্বাৰা অসমীয়া সমাজত এক সাংস্কৃতিক কঠিয়াতলীৰ উন্মেষ কৰিলে। উক্ত কঠিয়াতলীত সংস্কৃতি চৰ্চাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল। মহেশ্বৰ নেওগে 'কীৰ্তন ঘৰ' প্ৰসঙ্গত আলোচনা আগবঢ়াইছে—

> ৰামচৰণে বৰদোৱাত দুবাৰ কীৰ্তন-ঘৰ বা দেৱ-গৃহ নিৰ্মাণ কৰাৰ কথা উল্লেখ কৰিছে, দ্বিতীয়বাৰ অৰ্থাৎ তীৰ্থৰ পৰা ঘূৰাৰ পিছত গজলা-সুঁতিৰ পৰাহে আহি বৰদোৱাত থিত লোৱাৰ কথা কৈছে। ... ... ... শঙ্কৰৰ উপৰিপুৰুষ চণ্ডীবৰে প্ৰথমতে লেঙামাগুৰিৰ পৰা আহি বৰদোৱাত বসতি কৰে; কিন্তু দেশ-বিভ্ৰাটত বৰদোৱা এৰি ভূঞাসকল আলিপুখুৰীলৈ গৈছিল। এতিয়া শঙ্কৰদেৱৰ প্ৰমূখ্য আলি পুখুৰীৰ লোকসকল টেমনি বৰদোৱাৰ তেই 'বাহ্ৰ ভূঞাৰ ভিঠা' লৈ উঠি গ'ল। তাত থাকিবৰ ঘৰ-দুৱাৰ কৰি এটি কীৰ্তন-ঘৰ সজায় আৰু ভেঁটি তুলিবৰ সময়ত কোৰৰ চাবত শিলত কটা চৰ্তুভুজ

১৪. অতুলচন্দ্ৰ হাজৰিকা (সম্পা.), *বেজবৰুৱা গ্ৰন্থাৱলী, দ্বিতীয় খণ্ড, সাহিত্য প্ৰকাশ,* পৃ. ৪১৫

মূৰ্তি এটি পাই সাত থাকৰ সিংহাসনৰ ওপৰত প্ৰতিষ্ঠা কৰে। ২১ বছৰ বয়সত গুৰুয়ে এই ঘৰত ফাগুৱা উৎসৱ পাতে আৰু সেই উপলক্ষে কেইবাটিও গীত ৰচনা কৰে একে বছৰতে, শাস্ত্ৰ-চৰ্চাত মূৰপুতি লাগিবৰ উদ্দেশ্যে, জয়ন্ত আৰু মাধৱ দলৈক ওচৰলৈ মাতি আনি ভূঞা শাসন-ভাৰ গতাই দিলে।”[১৫]

উল্লিখিত উদ্ধৃতিৰ জৰিয়তে কীৰ্তন-ঘৰ নিৰ্মাণৰ উদ্দেশ্য সম্পৰ্কে জ্ঞাত হোৱা যায়। ভগৱানৰ আৰধনাৰ বাবে মনোৰঞ্জনশীল অনুষ্ঠান পাতি আৰু গীত (পাছলৈ বৰগীত) ৰচনাৰ দ্বাৰা অনাখৰী সমাজক সফলভাৱে এক সাংস্কৃতিক জীৱনযাত্ৰাৰ প্ৰতি আগ্ৰহী কৰোৱাৰ নিশ্চিত পদক্ষেপ গ্ৰহণ কৰিছিল। শঙ্কৰদেৱে জনসমাজৰ উপযোগীকৈ ধৰ্ম সাধনাৰ বাবে সুকুমাৰ কলা চৰ্চাৰ আশ্ৰয় ল'লে— সংগীত, নাটক, চিত্ৰকলাৰ মাধ্যমেৰে ধৰ্মক জনমুখী কৰা হ'ল। চিহ্নযাত্ৰা'ৰ পট অঙ্কন কৰা অভিনয় প্ৰদৰ্শনেৰে শঙ্কৰদেৱে এই সাংস্কৃতিক ধৰ্মযাত্ৰাৰ আৰম্ভণি কৰিলে। মহেশ্বৰ নেওগে — “চিহ্নযাত্ৰা প্ৰথম তীৰ্থযাত্ৰাৰ পিছৰ কাৰ্যৰূপে বিবেচনা কৰাই সমীচিন যেন লাগে ভক্তি ধৰ্মত শৰণ লগোৱাটোও তেতিয়াৰ পৰাই আৰম্ভ কৰা সম্ভৱ”[১৬] বুলি উল্লেখ কৰিছে। গতিকে কীৰ্তন-ঘৰৰ সৃষ্টিৰে অশিক্ষিত সমাজখনক নৃত্য, গীত, অভিনয়ৰ মাধ্যমেৰে শিক্ষা প্ৰদান কৰিবলৈ শঙ্কৰদেৱ সক্ষম হ'ল।

খ) **নামঘৰত কীৰ্তন-ঘোষা চৰ্চাৰ দ্বাৰা গঠনমূলক কামৰ শিক্ষা ঃ** সংস্কৃতিৰ কেন্দ্ৰস্থল হিচাপে স্বীকৃত নামঘৰ অৰ্থাৎ কীৰ্তন-ঘৰৰ ভক্তিমাৰ্গৰ উপাসনা পদ্ধতি-শ্ৰৱণ, কীৰ্তন, স্মৰণ, অৰ্চন, বন্দন, সখিত্ব, পদসেৱন আৰু আত্মনিবেদনৰ ভিতৰত শ্ৰেষ্ঠ শ্ৰৱণ-কীৰ্তনৰ নিমিত্তে সদায় নাম-প্ৰসঙ্গ কৰা হয়। কীৰ্তন-ঘোষাৰ পাঠ প্ৰধানকৈ নামঘৰতে কৰা হয়। তদুপৰি স্ব-গৃহতো কীৰ্তন-পুথি থাপনাত থৈ হৰিনাম শ্ৰৱণ-কীৰ্তনৰ পৰম্পৰাই লোকজীৱন শৃংখলিত কৰাত পুথিখনিৰ মান্যতাৰ দিশটো পৰিস্ফুট কৰি তোলে। শঙ্কৰদেৱে ধৰ্ম চৰ্চা তথা কীৰ্তন-ঘোষাৰ শ্ৰৱণ কীৰ্তন অৰ্থাৎ সমূহীয়া উপাসনাৰ বাবেই কীৰ্তনঘৰ (পাছলৈ নামঘৰ)ৰ প্ৰতিষ্ঠা কৰিছিল।

(১) নামঘৰত কীৰ্তন-ঘোষাৰ ঘোষা পদৰ পৰা ভগৱানৰ গুণানুকীৰ্তন কৰি প্ৰসংগ কৰা হয়। ইয়াৰ জৰিয়তে ধৰ্ম উপাসনাৰ লগতে পৰোক্ষভাৱে সাংগীতিক মাধ্যমেৰে কীৰ্তনৰ চৰ্চা কৰা হয়।

(২) বৰসবাহ, গুৰুজয়ন্তী, শ্ৰীকৃষ্ণ জন্মাষ্টমী ইত্যাদি নৈমিত্তিক পৰিক্ৰমাত নাটভাওনা অনুষ্ঠিত কৰা হয়। এই সমূহ অনুষ্ঠানত কীৰ্তন-ঘোষাৰ শ্ৰৱণ-কীৰ্তন অপৰিহাৰ্য অংগ। ইয়াৰ মাধ্যমেৰে লোকপৰিৱেশ্য কলাৰ দিশসমূহ সংৰক্ষিত কৰি কীৰ্তন-ঘোষাক জনসমাজত উপস্থাপন কৰা হৈছে।

---

১৫. মহেশ্বৰ নেওগ, *শ্ৰীশ্ৰী শঙ্কৰদেৱ*, পৃ. ২৮

১৬. উল্লিখিত, পৃ. ৪৮

(৩) শাস্ত্ৰচৰ্চাৰ মাধ্যমেৰে অভিজ্ঞ পাঠকজনে অন্যসকলক ধৰ্মীয় উপাসনাৰ তত্ব ব্যাখ্যা কৰে। এনেদৰে শাস্ত্ৰত নিহিত থকা গূঢ়াৰ্থ সৰলভাৱে জনসাধাৰণৰ মাজত বিলাই দিব পৰাকৈ নীতি গ্ৰহণ কৰি শংকৰদেৱে কেন্দ্ৰস্থল নামঘৰত নাম প্ৰসঙ্গৰ আৰ্হি দেখুৱাই দিছিল। নামঘৰত প্ৰধানভাৱে কীৰ্তন-ঘোষাৰ চৰ্চা লক্ষণীয় বিষয়।

(৪) নামঘৰত শিশু-কিশোৰ-কিশোৰী-যুৱক-যুৱতী, বৃদ্ধ-বৃদ্ধা সকলোয়ে একত্ৰিত হৈ কৰা কীৰ্তনৰ চৰ্চাই তেওঁলোকৰ মাজত ধৰ্মীয় উপাসনাৰ দিশটোৰ লগতে সহযোগিতামূলক জীৱন নিৰ্বাহৰ উৎকৃষ্ট প্ৰণালীৰ সূত্ৰ নিৰ্দেশিত কৰে।

(৫) সমূহীয়া প্ৰসংগই উৎসাহ বৃদ্ধি কৰে। শাৰীৰিক সুস্থতা বজাই ৰাখিবৰ বাবে নাম-প্ৰসঙ্গৰ কীৰ্তনৰ সুৰৰ তালে তালে হাতচাপৰি বজোৱাটো এক উৎকৃষ্ট ব্যায়াম। লগতে 'মাহ-প্ৰসাদ' হিচাপে গ্ৰহণ কৰা ভগৱানৰ নৈবেদ্যও পুষ্টিকৰ খাদ্য বিশেষ। প্ৰথম অৱস্থাত নামঘৰৰ ধৰ্মচৰ্চাৰ এখন সহজবোধ্য পুথি হিচাপেই কীৰ্তন-ঘোষাৰ সমাদৰ বেছি আছিল যদিও সময়ত এই পুথি অসমীয়া মানুহৰ উন্নত চিন্তাৰ বাহক হৈ পৰিল। কাৰণ-

> 'কীৰ্তন' আদি পুথিৰ দাৰ্শনিকতত্ব এনে অপ্ৰয়াসে আলোচিত হৈছে যে, অনাখৰী সহজ-সৰল লোকৰ মনৰ মাজলৈ সুৰ আৰু ছন্দৰ আঁৰেৰে সেইবোৰ নিজেই সোমাই আহে।[১৭]

(গ) **গণ-সংযোগ আৰু লোকশিক্ষাৰ এক শক্তিশালী মাধ্যমৰূপে কীৰ্তন-ঘোষাঃ** ধৰ্মপ্ৰচাৰৰ বাবে সমূহীয়া উপস্থিতিৰ প্ৰয়োজন হয়। অজ্ঞান আৰু অনিচ্ছুক জনক আকৰ্ষণ কৰি পৰস্পৰৰ মাজত সামাজিক সম্প্ৰীতি স্থাপন কৰা আৰু এজনৰ পৰা হাজাৰজনলৈ বাৰ্তা প্ৰেৰণ কৰা গণসংযোগ ব্যৱস্থাৰ লক্ষ্য। শঙ্কৰদেৱে সমূহীয়া প্ৰসঙ্গৰ ব্যৱস্থা কৰি আৰু তাক আকৰ্ষক ৰূপত উপস্থাপন কৰি চহা লোকক আধ্যাত্মিক, নৈতিক আৰু সামাজিক শিক্ষা প্ৰদান কৰিছিল। সম-সাময়িক অনাখৰী সমাজখনৰ অন্ধকাৰাচ্ছন্ন বাতাবৰণ দূৰীকৰণৰ হেতু শঙ্কৰদেৱে সুস্থ সামাজিক পৰিৱেশ সৃষ্টিৰ শিক্ষাদানৰ অৰ্থে নামঘৰত কীৰ্তন-ঘোষাৰ জৰিয়তে ধৰ্ম-চৰ্চাৰ বাট মুকলি কৰিছিল। পাঠক আৰু শ্ৰোতাৰ অন্তৰংগতাই ধৰ্মীয় সংবেদনশীল শিক্ষাক বিশেষভাৱে উত্তৰণ ঘটাইছিল। মধ্যযুগীয় লোকসমাজৰ অশিক্ষিত নিমাখিত মানুহৰ মাজত শৈক্ষিক পৰিৱেশ সৃষ্টিৰ বাবে শঙ্কৰদেৱে প্ৰতিষ্ঠা কৰা উক্ত ধৰ্মীয় অনুশাসন জৰুৰী আছিল।

---

১৭. কৰবী ডেকা হাজৰিকা, *অভিভাষণ*, *শ্ৰীমন্ত শঙ্কৰদেৱ ঃ দ্ৰষ্টা আৰু স্ৰষ্টা*, পৃ. ১৬

কীৰ্তন-ঘোষাৰ পাঠৰ শ্ৰৱণৰ অন্তত পাঠকৰ শ্ৰোতাৰ আগত কীৰ্তনৰ কাহিনীসমূহৰ তাৎপৰ্য ব্যাখ্যাৰে, আলাপ-আলোচনাৰ মাধ্যমেৰে, প্ৰসাদ বিতৰণৰ জৰিয়তে একপ্ৰকাৰ গণসংযোগৰ মাধ্যমৰ দ্বাৰা শঙ্কৰদেৱে বিজ্ঞান সন্মত ভাৱে শৃংখলিত আৰু পৰিচ্ছন্নতাৰে সহযোগিতামূলক ঐক্য-সম্প্ৰীতিৰে ভৰপূৰ অসমীয়া সমাজৰ ভেঁটি গঠন কৰিছিল। শঙ্কৰদেৱে অসমীয়াৰ অন্তৰাত্মাত সুমুৱাই দিয়া লোক শিক্ষাৰ জাগৰণ আজিও প্ৰবাহমান হৈ আছে। এগৰাকী সমাজ সংস্কাৰক সামাজিক নেতা হিচাপে শঙ্কৰদেৱে গ্ৰহণ কৰা কৰ্মপন্থাৰ সুদূৰ প্ৰসাৰী প্ৰভাৱ সমূহ এনেধৰণৰ-

(১) **কীৰ্তনৰ যোগেদি ভাষিক জাগৰণৰ শিক্ষা ঃ** সৰ্বভাৰতীয় ভক্তি আন্দোলনৰ এক বিশেষত্ব আছিল সংস্কৃতত নকৰি থলুৱা ভাষাত গীত-মাত ৰচনা কৰা। শঙ্কৰদেৱেও সেই আদৰ্শৰে পুৰণি অসমীয়া কথিত ভাষাক সাহিত্যিক মান্যভাষাৰ মৰ্যদা দি এলানি ধৰ্মপুথিৰ ৰচনা কৰিলে। বিশেষকৈ কীৰ্তন-ঘোষাৰ মাজত তেওঁ একশৰণ হৰিনাম ধৰ্মৰ মূল দৰ্শন সহজভাৱে বুজি পোৱাকৈ প্ৰকাশ কৰিলে। চিনাকি ঘৰুৱা ভাষাত শাস্ত্ৰ ৰচনা কৰাৰ বাবে থলুৱা সমাজ এই নতুন ধৰ্মৰ প্ৰতি সহজে আকৃষ্ট হৈছিল।

মহৎ সাহিত্যসমূহৰ লক্ষণ হ'ল পাঠকৰ হৃদয় স্পৰ্শ কৰাৰ লগে লগে নীতি আৰু আদৰ্শৰ প্ৰচাৰৰ জৰিয়তে এক বিশেষ আলৌকিক আনন্দ প্ৰদান কৰা। শঙ্কৰদেৱৰ কীৰ্তনৰ মাজত উক্ত গুণ নিহিত হৈ আছে। তেওঁ অসমৰ মাত-কথা, প্ৰবাদ-প্ৰবচন, স্থানীয় পৰিবেশৰ লগত খাপ খুৱাই সংস্কৃত শাস্ত্ৰ মথি পুৰণি অসমীয়া ভাষাত কীৰ্তন পুথি ৰচনা কৰি জাতীয় ভাষিক জাগৰণৰ সূচনা কৰিলে। অসমৰ লোকজীৱনৰ ঘৰুৱা-মাতকথাৰ বিশেষত্বসমূহ কীৰ্তন-ঘোষা আৰু অন্যান্য ৰচনাত তেওঁ নিপুণ ভাৱে প্ৰয়োগ কৰিছে। কীৰ্তন-ঘোষাৰ সহজ আৰু সুৱীয়া গীতিসুলভ আকৰ্ষণে জনগণক অসমীয়া ভাষাৰ সাহিত্যিক সৌষ্ঠৱৰ প্ৰতি সচেতন কৰি তুলিলে বুলি ক'ব পাৰি। কাৰণ নিজৰ শুৱলা মাতত প্ৰকাশ পোৱা গভীৰ তত্ত্বও সৰল আৰু আকৰ্ষণীয় হৈ পৰিছিল।

(২) **বৈষম্যহীন সমাজ গঠনত 'কীৰ্তন' পুথিৰ প্ৰভাৱ ঃ**

অসমৰ সামাজিক ব্যৱস্থা বৈষম্যহীন কৰিবৰ বাবে শঙ্কৰদেৱে তেওঁৰ চিন্তা আৰু আঁচনিৰ অধিকাংশ 'কীৰ্তন-ঘোষা'ৰ মাজত প্ৰচাৰ কৰিছিল। সমাজত ধৰ্মীয় সাম্যবাদ প্ৰতিষ্ঠাৰ হেতু তেওঁ কীৰ্তন-ঘোষাৰ প্ৰধানকৈ 'নাম-অপৰাধ' আৰু 'পাষণ্ড মৰ্দ্দন' খণ্ড দুটিত কঠোৰ ভাৱে নিৰ্দেশনা সন্নিৱিষ্ট কৰিছে। শঙ্কৰদেৱে একশৰণ নামধৰ্ম অৰ্থাৎ নৱবৈষ্ণৱ ধৰ্মত এজনমাত্ৰ পৰম শক্তিময় দেৱ ভগৱানৰ উপাসনা নিশ্চিত কৰিছে। উক্ত উপাসনা ৰীতি হ'ল সেই পৰমশক্তি ভগৱানৰ ভক্তিময় গুণানুকীৰ্তন অৰ্থাৎ হৰিনামৰ শ্ৰৱণ-কীৰ্তন,

যাৰ জৰিয়তে মোক্ষতো অধিক পূণ্যপ্ৰাপ্তি সম্ভৱ হয়। শঙ্কৰদেৱৰ দ্বাৰা প্ৰসাৰিত ধৰ্ম মানৱতাবাদী। তেওঁ সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ বাবে উক্ত ধৰ্ম উপাসনা মাৰ্গ মুকলি কৰি দিছিল আৰু কীৰ্তনত তাৰ ধাৰণা সন্নিৱিষ্ট কৰিছিল। তাতেই নিহিত আছে আধুনিক সময়ৰ গণতান্ত্ৰিক আৰু সাম্যবাদী সমাজ গঠনৰ বীজ।

কীৰ্তন-ঘোষাৰ মাধ্যমেৰে শঙ্কৰদেৱে ভক্তিৰ মাহাত্ম্য ঘোষণা কৰি কৈছে যে- সুৰা পান কৰোঁতা, সদায় নিষ্ঠুৰ বাক্য কওঁতা, কেৱল বৈষয়িক সুখৰ প্ৰতি আকৃষ্ট পাপমতি চণ্ডালৰো পাপ হৰি-নাম শ্ৰৱণ-কীৰ্তনৰ দ্বাৰাই নিমিষতে নোহোৱা হয়। চণ্ডাল, অন্ত্যজ, ব্ৰহ্মবধী, গুৰুবধী, পিতৃ-মাতৃ, তথাকথিত ম্লেচ্ছগণ— সকলো স্তৰৰ মানুহৰেই ভক্তিধৰ্মত অধিকাৰ সমান। এই দৃঢ় মত শঙ্কৰদেৱে কীৰ্তন-ঘোষাত প্ৰতিষ্ঠা কৰিছে। চণ্ডালেও যদি হৰি নাম কীৰ্তন কৰে সিও সমষ্ট তীৰ্থত স্নান কৰাৰ সমান পূণ্য লাভ কৰে। অৰ্থাৎ হৰি ভক্তিৰ বাবে ব্ৰাহ্মণ জন্মৰ কোনো প্ৰয়োজন নাই। ভকতিয়ে কোনো জাতি অজাতি বিচাৰ নকৰে। কীৰ্তন-ঘোষাত এনে বিভিন্ন উদ্ধৃতি পোৱা যায়। (চ)

**(৩) পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ শিক্ষা আৰু কীৰ্তন পুথি চৰ্চাৰ প্ৰভাৱ ঃ**

শঙ্কৰদেৱে পৰিষ্কাৰ-পৰিচ্ছন্ন আৰু স্বাস্থ্যকৰ জীৱন নিৰ্বাহৰ শিক্ষা সৰ্বজনক প্ৰদান কৰিবলৈ সক্ষম হৈছিল। কীৰ্তন-ঘোষা নামপ্ৰসঙ্গৰ বাবে ৰচনা কৰা হৈছিল আৰু কীৰ্তন-ঘৰ অথবা নামঘৰত ভকতসৱে আহি নিত্যনৈমিত্তিক ভাৱে নাম-প্ৰসঙ্গ কৰিছিল। কীৰ্তন পাঠত পৰিষ্কাৰ-পৰিচ্ছন্নতা অপৰিহাৰ্য।

কীৰ্তন-পুথিৰ পাঠ আৰু নাম প্ৰসঙ্গৰ বাবে ভকতসকলে সদাচাৰ পূৰ্ণভাৱে নিজক প্ৰস্তুত কৰিব লাগে। প্ৰাতঃ কালত বিচনাতে ঈশ্বৰক ধ্যান কৰি কীৰ্তন-ঘোষাত পদ স্মৰণ কৰি উঠি আহিব লাগে। শৌচ সদাচাৰ কৰি স্নান কৰিব লাগে। স্নানৰ অন্তত তিতাবস্ত্ৰৰে সৈতে গোঁসাই ঘৰৰ মজিয়া মচি নিকা কৰি লয়। তিতাবস্ত্ৰৰে সৈতে গোঁসাই ঘৰৰ মজিয়া মচি নিকা কৰি লয়। তিতাবস্ত্ৰ সলাই হাত-ভৰি ধুই চুলি আঁচুৰি নাৰায়ণ নাম স্মৰণ কৰে। চন্দন অথবা তুলসী ভেঁটিৰ মাটিৰে কপালত তিলক লয়। ভকতজনে তিনিখন শুভ্ৰ বস্ত্ৰ পৰিধান কৰিব লাগে- ধুতী, চেলেং আৰু গামোছা। চেলেংখন প্ৰথমে বাওঁবাহুত লৈ

---

**প্ৰসঙ্গটোকা ঃ** (চ)

(১) চাণ্ডালে কৰিছে হৰি-কীৰ্তন। /বুলিয়া তাক নিন্দে অজ্ঞজন।।
তাক সম্ভাষণ যিজনে কৰে। /আজন্মৰ পূণ্য তেখনে হৰে।।১৭
বিষ্ণুৰ গুণ-নাম-অলঙ্কৃত। /অন্ত্যজো যিবা কৰি আছে গীত।।
তাক নিন্দা কৰে যিটো কুমতি। /পূণ্যক নশি যাইবে অধোগতি।।১৮ (দ্বিতীয় কীৰ্তন, পাষণ্ড মৰ্দ্দন)
(২) সিটো চাণ্ডালক গৰিষ্ঠ মানি। /যাৰ জিহ্বাগ্ৰে স্ৰৱে হৰি-বাণী।
সমস্তে তীৰ্থতে কৰিল স্নান। /কৰিলে সি সি তপ হোম দান।।৪০ (তৃতীয় কীৰ্তন, পাষণ্ড মৰ্দ্দন)
(৩) কৃষ্ণৰ কথাত যিটো ৰসিক। /ব্ৰাহ্মণ-জন্ম তাৰ লাগে কিক।।
স্মৰোক মাত্ৰ হৰি দিনে ৰাতি। /নবাছে ভকতি জাতি-অজাতি।।৫৮ (তৃতীয় কীৰ্তন, পাষণ্ড মৰ্দ্দন)

এটা মূৰ আঁঠুত পেলাই পিঠিৰ অংশইদি শৰীৰৰ মধ্যভাগ মেৰিয়াই বুকুয়েদি নি আনটো মূৰ পুনৰ বাওঁকান্ধত ল'ব লাগে। সোঁবাহু উন্মুক্ত ৰাখিব লাগে। সোঁকান্ধত গামোছাখন জাপি লৈ পদ্মাসনত বহি আঁঠুৰ ওপৰত মেলি ল'ব লাগে। এইদৰে ভকতে শৰীৰমন হৰি-চিন্তাৰে পবিত্ৰ কৰি থাপনাৰ কীৰ্তন-ঘোষাৰ আগত বন্তি প্ৰজ্বলিত কৰে। বন্তি লগাই ঈশ্বৰ সেৱা কৰি কীৰ্তন-প্ৰসঙ্গ কৰা হয়। নিত্য-প্ৰসঙ্গৰ ক্ষেত্ৰত কেৱল ঘৰৰ মূল মানুহজনে ভকতৰ এই আচৰণ কৰে আৰু অন্যান্য সদস্যসকলে সেৱা জনাই আহে। নৈমিত্তিক প্ৰসঙ্গৰ ক্ষেত্ৰত অন্যান্য ভকতসকলেও একে সদাচাৰ পালন কৰি আৰু একে সাজ পৰিধান কৰিব। শৰাই এভাগ আগবঢ়াব লাগে। আগলতি কলপাতৰ আগভাগ গুৰুআসনৰ ফালে দি শৰাইত নৈবেদ্যসমূহ প্ৰতিবিধৰে এমুঠিকৈ দি সজাই কলপাতৰ ওপৰত ৰাখিব লাগে। ইয়াৰ পাছত নামলগোৱা ভকতৰ  আসনক কেন্দ্ৰ কৰি অৰ্দ্ধ বৃত্তাকাৰে গুৰু আসনৰ সন্মুখত ভকত সকল বহিব। নামলগোৱা আৰু পাঠ আসন গ্ৰহণ কৰাৰ পৰা আসন নেৰা পৰ্যন্ত অন্যান্য ভকতসকলে কোনো প্ৰকাৰৰ আলাপ কৰিব নালাগে। পাৰ্যমানে কীৰ্তন-প্ৰসংগৰ গাম্ভীৰ্য ৰক্ষা কৰিব লাগে। তদুপৰি নাম-প্ৰসঙ্গ আৰম্ভৰ পৰা শেষ নোহোৱা পৰ্যন্ত অৰ্ধবৃত্তৰ শাৰীৰ পৰা কোনো ভকত উঠি যাব নোৱাৰিব অথবা অন্য কোনো ভকতে সেই অৰ্ধবৃত্তত স্থান ল'ব নোৱাৰিব। বিশিষ্ট লোক হ'লেও ভকত চেৰাই গৈ সেই স্থানত আসন লোৱাটো নিষেধ। ক্ৰম ৰক্ষা কৰি মৌনভাৱে সমাজত সেৱা জনাই শেষৰ শাৰীত হ'লেও বহি সেই ভকতে প্ৰসঙ্গত সহযোগিতা কৰা উচিত। সেইদৰে প্ৰসঙ্গ চলি থাকোতে আৰু প্ৰসঙ্গৰ অন্তত প্ৰসাদ বিতৰণৰ আগতে চাহ তামোলৰ ব্যৱস্থা কৰিব নালাগে। ভকতসকলে নামঘৰ বা ব্যক্তিগত গৃহত প্ৰৱেশ কৰাৰ আগতে বাটচ'ৰা বা পদূলি মূৰতে হাত-ভৰি ধুই ল'ব লাগে। নামঘৰৰ কাষতে থকা ভোজনগৃহত প্ৰথমে ভকতসকলক চাহ-তামোলেৰে আপ্যায়ন কৰি লোৱা হয়।ব্যক্তিগত গৃহতো গোঁসাই ঘৰৰ বাহিৰতে প্ৰয়োজন সাপেক্ষে চাহ-জলপান যঁচা হয়। এইটো দোষণীয় কথা নহয়। পাঠক, নামলগোৱা, শৰাই অৰ্চনা কঁৰোতা, আলহী আলধৰা, ৰান্ধনী, দেউৰী, ভঁৰালী-নৈমিত্তিক প্ৰসঙ্গৰ ক্ষেত্ৰত অতি প্ৰয়োজনীয় ব্যক্তি। এই সকল লোকৰ শৃংখলাবদ্ধ আৰু সদাচাৰ পূৰ্ণ আচৰণে সমাজৰ নৈতিক ধৰ্ম সুদৃঢ় কৰাত অহৰহ সহায় কৰি আহিছে। এই সকলৰ বাবে মদ, ভাং, ধপাঁত আদি সকলো প্ৰকাৰৰ তামসিক দ্ৰব্য নিতান্তই বৰ্জনীয়।

**পাঠক ঃ** পাঠকে শঙ্কৰদেৱ-মাধৱদেৱৰ কীৰ্তন-ঘোষা আৰু অন্যান্য পদ পুথি একাদিক্ৰমে পাঠ কৰে। এওঁ সমগ্ৰ প্ৰসঙ্গ অনুষ্ঠানৰ আঁত ধৰে। পাঠকৰ সংখ্যা এজনৰ অধিক হ'ব পাৰে। পাঠকৰ সন্মান যথেষ্ট বেছি।

**নামলগোৱা ঃ** এওঁ প্ৰসংগৰ আৰম্ভণি কৰে, প্ৰসঙ্গত কেতিয়া কোনটো কীৰ্তন দিব লাগে পাঠকৰ অনুমতি

মৰ্মে নিৰ্ধাৰণ কৰি প্ৰথমে গোৰা এওঁৰ কাম হয়। বাকী ভকতসকলে এওঁক সহযোগ কৰে।

**শৰাই অৰ্চনা কৰোঁতা ঃ** এজন ভজনীয়া ভকতে শৰাই অৰ্চনা কৰে। তেওঁ শৰাই সজোৱাৰ পাছত নাম প্ৰসঙ্গত অংশ ল'ব পাৰে।

**আলহী আলধৰা ঃ** আলহী আলধৰাই নামঘৰত নিত্য-নৈমিত্তিক অনুষ্ঠানত প্ৰয়োজন হোৱা মাহ, চাউল, কল, নাৰিকল, পানী আদিৰ তদাৰক কৰে। অতিথি শুশ্ৰূষা কৰে। এজন বা দুজন ভকতে এই কাম সম্পন্ন কৰে। নামঘৰৰ কাষৰ জিৰণি কোঠাত এই কাম কৰা হয়।

**ৰান্ধনী, দেউৰী ঃ** নামঘৰ অথবা স্বগৃহত নৈমিত্তিক পৰ্বত নৈবেদ্য প্ৰস্তুতকৰণ, নৈবেদ্য অৰ্পণ আদি কাৰ্য ৰান্ধনী আৰু দেউৰীয়ে সম্পন্ন কৰে। এওঁলোকে ৰন্ধন কাৰ্য আৰু বিতৰণ কাৰ্য সমাপ্ত কৰোঁতে যথেষ্ট সাৱধানতা অৱলম্বন কৰে। পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ দিশত গুৰুত্ব আৰোপ কৰি মুখত গামোছা বান্ধি লয়, যাতে কোনো কাৰণত কাহিলে বা হাঁচিয়ালে থু-খেকাৰৰ ছিটিকনি গৈ মাহ-প্ৰসাদত মিহলি নহয়। তদুপৰি কাম অনুসৰি ৰান্ধনী-দেউৰীসকল পাঁচ-ছজন হ'ব পাৰে।

**ভঁৰালী ঃ** নামঘৰত নিত্য আৰু নৈমিত্তিক ব্যৱহাৰ্য পুথি, ধন, চাউল, কাঁহি-বাতি, লোটা-কলহ ইত্যাদি সকলোধৰণৰ দ্ৰব্যবস্তুৰ ৰক্ষণ ভঁৰালীজনে কৰে।

— এইদৰে নিৰ্দিষ্ট কৰা ভকত বৃন্দই নিজা নিজা বিষয়ৰ কাম নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে আহি পৰা সামাজিক শৃংখলা তথা পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ শিক্ষা কীৰ্তন-ঘোষাৰ প্ৰসঙ্গ অনুষ্ঠানৰ দ্বাৰাই পৰিব্যাপ্ত হৈছে।

### ২.১০ অসমীয়া মানুহৰ স্বাস্থ্যবিধি শিক্ষণত কীৰ্তন-ঘোষাৰ প্ৰভাৱ ঃ

শ্ৰীমন্ত শঙ্কৰদেৱে অসমীয়া লোকসমাজক আধ্যাত্মিক অথচ বিজ্ঞান সন্মত দৃষ্টিভংগীৰে সুষম আহাৰৰ প্ৰয়োগ, পৰিষ্কাৰ-পৰিচ্ছন্নতা, শৰীৰ চৰ্চা তথা যোগাভ্যাসৰ সুচিন্তিত পৰিকল্পনাৰে সমৃদ্ধ কৰিছিল। এই ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল কীৰ্তন-ঘোষাৰ নিত্য নৈমিত্তিক পাঠ আৰু নামপ্ৰসঙ্গ কৰা ভকতসকলক শঙ্কৰদেৱে প্ৰদান কৰা দিনচৰ্যাৰ নিয়মাৱলীয়ে। গুৰুচৰিত কথা আৰু পুৰণি ধৰ্ম সাহিত্যৰ বিভিন্ন উৎসৰ পৰা শঙ্কৰদেৱে কি দৰে ধৰ্মচৰ্চাৰ লগতে স্বাস্থ্যবিধিৰ বিজ্ঞান সন্মত দিশবোৰত অত্যাধিক গুৰুত্ব প্ৰদান কৰিছিল জানিব পৰা যায়। অসমীয়া লোকজীৱনত মহাপুৰুষীয়া ধৰ্মমতৰ অসংখ্য পালনীয় আচাৰ বিধিয়ে পৰোক্ষভাৱে কঠোৰ স্বাস্থ্য সম্বন্ধীয় নীতি-নিৰ্দেশনাক ইংগিত কৰে। এনে নিয়মাৱলীসমূহ অসমীয়া লোকসমাজে জ্ঞাত বা অজ্ঞাতভাৱে মানি চলি সুস্বাস্থ্য আৰু দীৰ্ঘ জীৱনৰ অধিকাৰী হ'বলৈ

সক্ষম হৈ আহিছে। পাঁচ শতাধিক বৰ্ষৰো আগতেই শঙ্কৰদেৱে লোকসমাজৰ শৃংখলাবদ্ধ দিনলিপি প্ৰস্তুত কৰি দিছিল। গুৰুচৰিত কথাত প্ৰাপ্ত তথ্য অনুসৰি শঙ্কৰদেৱে স্বয়ং এনে নিয়মাৱলী কঠোৰভাৱে পালন কৰিছিল। তেওঁ পুৱাই শৌচ-শুদ্ধি, স্নান কৰি, গুৰুসেৱা কৰি ভকতসকলৰ সমন্বিতে হৰি নাম-কীৰ্তন চৰ্চাত ব্ৰতী হৈছিল। ভকত সকলক তেওঁ এইদৰে শিক্ষা দিছিল যে স্নান কৰি চাফ-চিকুণকৈ শুদ্ধ আৰু সাত্বিক ভাৱেৰেহে কীৰ্তন-প্ৰসঙ্গ কৰিব লাগে।[ছ]

শৌচশুদ্ধি, স্নানাদিৰ অন্তত ঈশ্বৰচৰ্চা কৰি অৰ্থাৎ নিত্য-নৈমিত্তিক কাৰ্যসমূহ কৰাৰ অন্ততহে সাত্বিকভাৱে আহাৰ গ্ৰহণৰ নিয়ম আছিল। তেওঁ একাদশী আদি তিথিত ব্ৰত-উপবাসে থকাৰ বিধিও নিৰূপিত কৰিছিল।ব্ৰত-উপবাসে স্বাস্থ্য বিধিত গুৰুত্ব লাভ কৰি আহিছে। শঙ্কৰদেৱে নৰনাৰায়ণৰ ৰাজসভাত কুৰ্তকী, অনাচাৰী বিদ্বেষী ব্ৰাহ্মণসকলে আৰোপ কৰা সকলো ধৰণৰ কুৎসা ৰটনা নসাৎ কৰিছিল। অসামান্য পাণ্ডিত্যৰে তেওঁ পৰিষ্কাৰ আচৰণ আৰু নিৰ্মল স্বাস্থ্যৰ প্ৰমাণো দিছিল। শঙ্কৰদেৱে নিজে স্নান, সদাচাৰ কৰি সাত্বিকভাৱে শুদ্ধ জীৱন যাপন কৰিছিল আৰু অনাখৰী সমাজখনক সেই শিক্ষাই প্ৰদান কৰিছিল। শঙ্কৰদেৱে সমসাময়িক সমাজখনৰ শ্ৰমজীৱি সাধাৰণ মানুহখিনিৰ জীৱন-নিৰ্বাহ শৈলীলৈ পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছিল। মধ্যযুগীয় বাতাবৰণৰ সমাজখনৰ জীৱনশৈলী অতি অস্বাস্থ্যকৰ আছিল বুলি চৰিতপুথি তথা অন্যান্য পুৰণি উৎসই প্ৰমাণ কৰে। তেনে জীৱন-প্ৰণালী উন্নত কৰিবলৈ শঙ্কৰদেৱে কৰ্মপন্থা হাতত লৈছিল।[জ] জীৱন নিৰ্বাহ পদ্ধতিত পুষ্টিকৰ খাদ্য গ্ৰহণ, পৰিষ্কাৰ বস্ত্ৰ পৰিধান, বাসস্থানৰ চাফ-চিকুণতা, নিয়মিত স্নান কৰা, পোহজনীয়া জীৱজন্তুৰ নিজৰ বাসগৃহৰ পৰা আঁতৰত ৰাখি পালন কৰা ইত্যাদি বিস্তৃত কৰ্মপন্থাৰে শঙ্কৰদেৱে অসমৰ মানুহক সুস্থ জীৱন যাপনৰ বাবে অনুপ্ৰেৰণা যোগাইছিল।

শঙ্কৰদেৱৰ পত্নী কালিন্দী আয়ে প্ৰথমাৱস্থাত নৱ-বৈষ্ণৱ ধৰ্মৰ মহাত্ম্য বুজিব নোৱাৰি গৃহৰ এচুকত এৰাঁসূতা, আমডালি ঘট বান্ধি পূজা কৰিছিল। শঙ্কৰদেৱে মাধৱদেৱক গৃহত অন্ন গ্ৰহণ কৰিবলৈ কোৱাত তেওঁ গুৰু পত্নীৰ ধৰ্মীয় অজ্ঞানতা দূৰ কৰি সেইসমূহ আঁতৰাই গৃহ মচি-কাচি শুদ্ধ কৰাৰ পাছতহে ৰন্ধনৰ দিহা কৰিছিল। এই দিহাটিৰ মাজত শঙ্কৰ-মাধৱৰ লোকসমাজৰ প্ৰতি পৰিস্কাৰ-পৰিচ্ছন্নতাৰ গুৰুত্বপূৰ্ণ শিক্ষা নিহিত হৈ আছে। মাধৱদেৱে কালিন্দী আইক কোৱা দিহা এনেধৰণৰ- *মাতৃ পাগপাত্ৰ দূৰকৈ বস্ত্ৰ ধুই*

---

**প্ৰসঙ্গটোকা** (ছ) ঃ শ্ৰী শঙ্কৰদেৱে বিহানে শৌচশুদ্ধি স্নান গুৰুসেৱাকৈ নামকীৰ্তনকৈ ঃ ওলাই ভক্তে সমে চালিতে কৃষ্ণ কথা চৰ্চ্চি বসিচন্ত। মহেশ্বৰ নেওগ (সম্পা.), *গুৰুচৰিত কথা*- পৃ. ৪০

(জ ) ঃ উন্নত আৰু পুষ্টিকৰ খাদ্য গ্ৰহণ, পৰিষ্কাৰ বস্ত্ৰ পৰিধান, বাসগৃহৰ পৰিচ্ছন্নতা, নিয়মিত স্থান আৰু শৰীৰ প্ৰক্ষালন, খাদ্য গ্ৰহণ কৰা পাত্ৰ অথবা পাত্ৰৰ পৰিচ্ছন্নতা, নিজা বাসগৃহৰ পৰা বেলেগাই পোহনীয়া পশুপক্ষী পালন আদি এক ব্যাপক কৰ্মসূচীৰে শঙ্কৰদেৱে অসমৰ মানুহক জগাই তুলি সুস্থ জীৱন-যাপনৰ পথ নিৰ্দেশ কৰিছিল। (কৰবী ডেকা হাজৰিকা ঃ অভিভাষণ, শ্ৰীমন্ত শঙ্কৰদেৱ, দ্ৰষ্টা আৰু স্ৰষ্টা, পৃ.১৬)।

১৮. মহেশ্বৰ নেওগ (সম্পা.), *গুৰুচৰিত কথা* - পৃ. ৪২

*খাৰে টেঙ্গা স্নানকৈ উপাসে থাকি চাউল সিজাবা।*[১৮]

ৰন্ধনপাত্ৰ পৰিষ্কাৰ কৰাৰ লগতে পৰিধান কৰা বস্ত্ৰ আদি ধুই নিকা কৰি স্নান-উপবাসে থাকি পবিত্ৰভাৱে ৰন্ধনকাৰ্য সম্পন্ন কৰিব লাগে। এই নিয়ম অলিখিত ভাৱে সুদৃঢ়কৈ অসমীয়াৰ প্ৰতি পৰিয়ালে সযতনে সদায় পালন কৰি আহিছে। মহিলাসকলে স্বতঃস্ফূৰ্তভাৱে পুৱাই শয্যা ত্যাগ কৰি ঘৰৰ ভিতৰ আৰু বাহিৰ পৰিষ্কাৰ কৰাৰ কামত ব্যস্ত হয়। ঘৰৰ বাহিৰৰ চাৰিওপাশৰ চোতাল বাঢ়নিৰে সাৰি, ভিতৰৰ কোঠাসমূহ সাৰি-মচি, বাচন-বৰ্তন পৰিষ্কাৰ কৰি তেওঁলোকে স্নান কৰে। স্নান কৰি আহিয়েই ঘৰতে লাগি থকা গোঁসাইঘৰ বা উপাসনাগৃহ মচি-কাচি নিকা কৰি থাপনাত অভিষিক্ত 'কীৰ্তন-ঘোষা'ৰ আগত মিঠাতেল-শলিতাৰ বন্তিগছ জ্বলাই ধূপ-ধুনা দি সেৱা জনাই প্ৰাৰ্থনা কৰে। প্ৰাৰ্থনাসমূহ সাধাৰণতে মাধৱদেৱকৃত 'নাম-ঘোষা'ৰ পৰা কৰা হয়।

ইয়াৰ পাছতহে তেওঁলোকে পৰিয়ালৰ সদস্য সকলৰ বাবে খাদ্য প্ৰস্তুত কৰিবলৈ সাজু হয়। অন্যান্য সদস্য সকলেও শৌচ-শুদ্ধি, স্নানাদি নিত্যকৰ্ম সমাপন কৰি থাপনাত সেৱা জনাই আহি গোবৰ মাটিৰে মচি নিকা কৰা মজিয়াত কঠ বা কাঠৰ পীৰা পাৰি বহি একেলগে খাদ্যগ্ৰহণ কৰে। (অৱশ্যে বৰ্তমান সময়ত প্ৰায়খিনি পৰিয়ালৰ গৃহ পকী কৰা হৈছে। তেতিয়াও একে নিয়মেই কিছু সালসলনি কৰি পালন কৰি অহা দেখা গৈছে।) খাদ্য গ্ৰহণ কৰাৰ আগতে হাত ধোৱাটো জৰুৰী কথা। সেইদৰে সন্ধিয়া পুনৰ স্নান কৰি ধুই থোৱা ন-সাজ পৰিধান কৰি মহিলাসকলে গোঁসাই-ঘৰত বন্তি জ্বলাই প্ৰাৰ্থনাত নিমগ্ন হয়। তদুপৰি ভাদমাহত পিতৃ আৰু মাতৃয়ে সলনা-সলনিকৈ গোঁসাই ঘৰত সেৱা কৰি ঠগাত 'কীৰ্তন-ঘোষা' পুথি লৈ পাঠ কৰাৰ নিয়মে সন্তানকো প্ৰভাৱিত কৰে। এই দৃশ্যও অসমীয়া লোকজীৱনৰ এক নিবিড় অংগ। দিনটোৰ ব্যস্ততাপূৰ্ণ কৰ্মসূচীৰ অন্তত 'কীৰ্তন-ঘোষা'ৰ সুৰীয়া পাঠে ঘৰুৱা পৰিবেশ প্ৰশান্তিময় কৰি তুলি সকলোধৰণৰ শাৰীৰিক-মানসিক অৱসাদ দূৰ কৰে। ধূপ-ধুনাৰ সুগন্ধৰে পবিত্ৰময় ধৰ্মীয় পৰিৱেশত 'কীৰ্তন-ঘোষা'ৰ পাঠে আধ্যাত্মিক উৎকৰ্ষৰ লগতে লোকসমাজক ধৈৰ্যশীল আৰু সদাচাৰী হ'বলৈ সদায় শিক্ষা দি আহিছে।

শঙ্কৰদেৱৰ শিক্ষাত ৰন্ধন কাৰ্যত ব্যৱহৃত সকলো সামগ্ৰী পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰখাত সচেতনতা প্ৰকাশ কৰা হয়। ৰন্ধন কাৰ্যত ব্যৱহৃত চৌকা, খৰি, কলপাত, ৰন্ধনপাত্ৰ— সকলোখিনি সামগ্ৰী ধুই নিকাকৈ ব্যৱহাৰ কৰাৰ পোষকতা কৰা হয়। জ্বলাবৰ বাবে ব্যৱহৃত খৰিসমূহো ধুই শুকোৱাইহে ৰন্ধনাশালৰ

চৌকালৈ নিয়াৰ অভ্যাস এটি আজিকোপতি কোনো কোনো সত্ৰত পালন কৰা হয়; সাধাৰণ গৃহস্থয়ো পালন কৰে। গুৰু চৰিত কথাৰ কেইবাটাও ছেদত এই কথাৰ উল্লেখ আছে। এই কথাৰ বিজ্ঞানসন্মত দিশো আছে। বিভিন্ন স্থানৰ পৰা সংগৃহীত দাহ্য ইন্ধন খৰিসমূহ বিভিন্ন প্ৰকাৰে জীৱ-জন্তুৰ মল আদি লাগি বীজাণুযুক্ত হৈ থাকিব পাৰে। গতিকে সেই সমূহ ধুই লোৱাৰ যুক্তি আছে।(ঝ)

তদুপৰি বাসগৃহ পৰিষ্কাৰকৈ ৰখাৰ শিক্ষা, পোহনীয়া পশু-পক্ষী বাসগৃহৰ পৰা নিলগাই ৰাখি পালন কৰাৰ শিক্ষাও শঙ্কৰদেৱে সুচাৰুৰূপে অসমীয়া লোকজীৱনক প্ৰদান কৰিলে। কেঁচাঘৰৰ মাটিৰ মজিয়া গোবৰ-মাটি মিশ্ৰিত বোকামাটিৰে মচি নিকা কৰাৰ বিধিও শঙ্কৰদেৱৰ সময়ৰ পৰাই প্ৰচলিত আছিল।(ঞ)

ঈশ্বৰ উপাসনা কৰিবলৈ নিজকে সুস্থ-সৱল কৰি ৰখাটো নিতান্তই জৰুৰী। স্বাস্থ্যবিধি মানি চলাত সুষম আহাৰ গ্ৰহণৰ প্ৰয়োজনীয়তা শঙ্কৰদেৱে সচেতনভাৱে উপলব্ধি কৰিছিল। এই কথাৰ প্ৰমাণ নাম-প্ৰসঙ্গৰ অন্তত গ্ৰহণ কৰা মাহ প্ৰসাদৰ উপকৰণ-সমূহৰ পৰাই বুজিব পাৰি। পানীত ভিজাই ৰাখি গঁজালি ওলোৱা বুট, মগু, কেইটামান চাউল, মিহিকৈ কটা নাৰিকল, আদা আৰু সামান্য নিমখৰ সংমিশ্ৰণৰে এই প্ৰসাদ প্ৰস্তুত কৰা হয়। ইয়াৰ লগতে কল, কমলা, আপেল আদি ফল-মূলো বৰ্তমান সময়ত প্ৰসাদত সংযোগ কৰা হয়। ই স্বাদিষ্ট আৰু স্বাস্থ্যসন্মত খাদ্য। মাহজাতীয় খাদ্য বুট-মগুত প্ৰচুৰ পৰিমাণে প্ৰ'টিন থকাৰ উপৰিও ভিটামিন, কেলচিয়াম, লৌহপদাৰ্থ আদি থাকে। ই পুষ্টিকাৰক আহাৰ। ভিজোৱা চাউল যিকোনো পেটৰ ৰোগৰ বাবে উপকাৰী। নাৰিকলো এবিধ পুষ্টিকাৰক মুখৰোচক ফল। সেইদৰে আদাত থকা ঔষধি গুণে খাদ্য সহজে হজম হোৱাত সহায় কৰে। অন্যান্য ফল-মূলসমূহো নিতান্তই পুষ্টিকাৰক খাদ্য সামগ্ৰী। তদুপৰি প্ৰসাদ সেউজীয়া কলপাতত গ্ৰহণ কৰাটো বিশেষ স্বাস্থ্য সন্মত বিধি। অৰ্থাৎ সুষম আহাৰ হিচাপে নামঘৰ অথবা স্ব-গৃহৰ কীৰ্তন প্ৰসঙ্গ অনুষ্ঠানৰ অন্তত গ্ৰহণ কৰা 'প্ৰসাদে' ভকতসকলৰ স্বাস্থ্য সৱল ৰখাত সহায় কৰে।

শঙ্কৰদেৱে শাৰীৰিক সুস্থতা বৰ্তাই ৰাখিবলৈ শৰীৰচৰ্চা আৰু যোগাভ্যাস কৰাত গুৰুত্ব আৰোপ কৰিছিল। তেওঁ বাল্যকালতেই ভৰা লুইত সাঁতুৰি ইপাৰ সিপাৰ হোৱাৰ কথাই আৰু সুদীৰ্ঘ জীৱনকাল

---

**প্ৰসঙ্গটোকা** (ঝ) ঃ গুৰুজনৰ চোট আতা ঠাই চৌকা খৰি পানি পাত যুই সাক সবাকে ধুতিএ কৰি ভোজন কৰাই ঃ পাত চুৱা গুচাই ঃ বিচনাকৈ সুৱাই ঃ তৈল টেঙ্গা দি পাও যান্তে নিদ্ৰা আহে।।২৯৭।। (মহেশ্বৰ নেওগ (সম্পা.), *গুৰু চৰিত কথা*, পৃ-৯৫)

(ঞ) ঃ শ্ৰীৰাম আতা ভিক্ষালৈ যাওঁতে বৰকোচ এঘৰে ভিক্ষা নিদি মাটিৰ বৰচপৰা দলিয়াই দিছিল। গুৰুজনাই সেই চপৰা গুড়ি কৰি গোবৰে সৈতে মিলাই ৰন্ধান কাৰ্য, সমাপন কৰিবলগীয়া স্থান মচিবলৈ নিৰ্দেশ দিছিল। (উল্লিখিত, পৃ.-১৬১)

লাভ কৰাৰ কথাই তেওঁ অভ্যাস কৰা কঠোৰ শৰীৰচৰ্চা আৰু যোগাভ্যাসৰ প্ৰতি ধাৰণা আহৰণ কৰি ল'ব পাৰি। দৈত্যাৰি ঠাকুৰৰ গুৰুচৰিতত শঙ্কৰদেৱে কৰা যোগাভ্যাসৰ আচৰণৰ উল্লেখ আছে।[১৯] সকলো ভকতকে তেওঁ এই দিশত সচেতন দীক্ষা দিছিল। নৃত্য অভিনয়ৰ শিক্ষাৰে পৰোক্ষভাৱে তেওঁলোক জীৱনত শৰীৰচৰ্চা আৰু যোগাভ্যাসৰ নিৰ্দেশনা দিছিল। পদ্মাসনৰ স্থিতিত বহি ঈশ্বৰ উপাসনা কৰা, কীৰ্তন-ঘোষা পাঠ কৰা, বৰ্তমান সময়ৰ ধ্যান ব্যৱস্থাতকৈ কোনোগুণে কম নহয়। তদুপৰি নাম প্ৰসঙ্গ অনুষ্ঠানত কীৰ্তন-গীতৰ তালে তালে হাতচাপৰি বজাই শৰীৰ সঞ্চালন কৰাটোও বিশিষ্ট ব্যায়ামৰ ভিতৰতে পৰে। যোগাভ্যাস আৰু প্ৰাণায়মৰ দ্বাৰা শৰীৰ মন নিৰোগী আৰু প্ৰশান্তিময় কৰি ৰখাৰ শিক্ষা শঙ্কৰদেৱেই অসমীয়া সমাজক দিছিল। সত্ৰীয়া নৃত্যৰ সূক্ষ্ম শৰীৰ সঞ্চালন, নৃত্য ভঙ্গিমাৰ গঢ় দিবৰ বাবে শঙ্কৰদেৱে মাটি আখৰাৰ প্ৰচলন কৰিছিল। ইয়াত শৰীৰ সঞ্চালনৰ বিভিন্ন জটিল স্তৰ শিকোৱা হৈছিল। কঠোৰ অভ্যাসৰ দ্বাৰাহে শৰীৰ নৃত্যৰ উপযোগী হয়। ইও এক বিশিষ্ট শৰীৰচৰ্চা। মাটি আখৰাৰ প্ৰণালীবদ্ধ নিয়ম অসমৰ কেইবাখনো সত্ৰত বৰ্তমানেও প্ৰচলন হৈ আছে।

## ২.১১ অসমীয়া মানুহৰ দৈনন্দিন আৰু সামূহিক জীৱনত কীৰ্তন-ঘোষাৰ প্ৰভাৱ ঃ

অসমীয়া মানুহৰ দৈনন্দিন আৰু সামূহিক জীৱনত কীৰ্তন-ঘোষাই এক গুৰুত্বপূৰ্ণ স্থান গ্ৰহণ কৰি আহিছে। মূল সংস্কৃত ভাগৱত পুৰাণ নপঢ়াকৈ অসমীয়া মানুহে ভাগৱতৰ ভক্তি-তত্বৰ গুৰুত্ব উপলব্ধি কৰাৰ মূলতে 'কীৰ্তন-ঘোষা' পুথিৰ সৰল/সহজবোধ্য প্ৰকাশ। অসমীয়া সমাজক সংস্কৃত শাস্ত্ৰৰ ভক্তি তত্ত্বৰ মূলভাৱ সৰলীকৰণ কৰি ৰচনা কৰা কীৰ্তন-ঘোষাৰ শ্ৰৱণ-কীৰ্তন প্ৰকৃততেই লোকজীৱনৰ অংগাংগী হৈ পৰিল।

শঙ্কৰদেৱে ভক্তিধৰ্মৰ দ্বাৰ সকলো জাতি-জনগোষ্ঠীৰ বাবে মুকলি কৰি দিছিল। চণ্ডাল, ম্লেছ, শূদ্ৰ — তথাকথিত নিম্ন শ্ৰেণীৰ লোক, মুছলিম আদি অন্য সম্প্ৰদায়ৰ লোকেও সম-মৰ্যাদাৰ ভকতৰ স্থান লাভ কৰিছিল। ইংগিত মাধৱদেৱ কৃত নামঘোষাতো পোৱা যায়— গাৰো ভোট যৱনে হৰিৰ নাম লয়।/ হেনয় নামক কেনে সজ্জন নিন্দয়।।/ হৰি নামে কৰে অন্ত্য জাতিকো মুকুত।/সজ্জনে নামক নিন্দে কিনো অদ্ভুত।।/হৰি নাম নাহিকে নিয়ম আদি কৰি।/ৰাম বুলি তৰে মিৰি অহম কছাৰী।।

তেওঁৰ নৱবৈষ্ণৱ ধৰ্মত এক সহৃদয় মানৱতাবাদী ভক্তি উপাসনাৰ দৰ্শনে ক্ৰিয়া কৰিছিল এই

১৯. যোগ শাস্ত্ৰ মত ধৰি যোগ যত
আচৰন্ত দিনে ৰাতি।।৮।।
ধ্যান ধাৰণা সমাধি আসন
প্ৰাণায়ম আদি যত।
বিষয় বিৰতি হৈয়া শুদ্ধমতি
আচৰে শাস্ত্ৰে সতত।।৯।। (ৰাজমোহন নাথ, *শ্ৰীশ্ৰী শঙ্কৰদেৱ-মাধৱদেৱ চৰিত, পৃ. ১১*)

দৰ্শন সামগ্ৰিকভাৱে মধ্যযুগীয় সমাজৰ জাতি-ভেদ, অস্পৃশ্যতাৰ প্ৰাচীৰ ভাঙিবলৈ যথেষ্ট সহায়ক আছিল। মধ্যযুগৰ কঠোৰ জাতি-ভেদৰ মাজতো সমিলতাৰ ভাৰ স্থাপন কৰি শঙ্কৰদেৱ আৰু মাধৱদেৱে অসমত অজলা, অনাখৰী ভকতবৃন্দৰ মাজত অতি উচ্চস্তৰৰ নৈতিকতা প্ৰৱৰ্তন কৰিবলৈ সক্ষম হৈছিল। সমাজৰ সকলো স্তৰৰ, সকলো বৃত্তিৰ মানুহে— তেলী, মালী, শিলাকুটি, বনিয়া, কমাৰ, কুমাৰ, কঁহাৰ, চিত্ৰকৰ, বৈদ্য- প্ৰত্যেকজনেই সমমৰ্যাদা সম্পন্ন ভকত। চণ্ডালৰ পৰা ব্ৰাহ্মণলৈকে সকলোকে সমধৰ্মীয় অধিকাৰ প্ৰদান কৰি শঙ্কৰদেৱে ভক্তিৰ মাধ্যমেৰে শোষিত পদললিত জনকো মানৱীয় সমমৰ্যদা প্ৰদান কৰিলে। শঙ্কৰদেৱৰ দূৰদৰ্শী চেতনাই অসমীয়া অনাখৰী সমাজত ক্ৰিয়া কৰাৰ আঁৰত আছিল তেওঁৰ ভক্তি ধৰ্মৰ বাবে ৰচনা কৰা কীৰ্তন-ঘোষাকে প্ৰমুখ্য কৰি ৰচনা কৰা সাহিত্য সম্পদ সমূহ। সমসাময়িক লোক সমাজৰ ধ্যান-ধাৰণা, শিক্ষা, আদৰ্শ, পৰিৱেশ, আবেগ অনুভূতি সকলো দিশলৈ সূক্ষ্মভাৱে লক্ষ্য ৰাখি সকলোৰে বাবে এক চিনাকি পৰিবেশত ধৰ্ম-সাহিত্য ৰচনা কৰাৰ হেতুকে নৱ-বৈষ্ণৱ ধৰ্ম সকলোয়ে একে আবেগেৰে আদৰি লৈছিল। এনে কাৰণতে সামূহিক জীৱনত কীৰ্তনে দান কৰা শিক্ষাৰ গভীৰ প্ৰভাৱ পৰিছে।

শ্ৰীমন্ত শঙ্কৰদেৱ আৰু প্ৰিয় শিষ্য মাধৱদেৱৰ চাৰিখনি বিশিষ্ট ধৰ্মগ্ৰন্থই অসমীয়া জাতীয় জীৱনত গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। শ্ৰীমন্ত শঙ্কৰদেৱৰ কীৰ্তন-ঘোষা আৰু দশম-পুথি, মাধৱদেৱৰ নামঘোষা আৰু ভক্তি ৰত্নাৱলী— উক্ত পুথিকেইখনিক অসমীয়া লোকজীৱনত পবিত্ৰ 'চাৰিপুথি' আখ্যা দিয়া হয়। কীৰ্তন-দশম-নামঘোষা-ভক্তি ৰত্নাৱলীয়ে শঙ্কৰদেৱ আৰু মাধৱদেৱৰ ধৰ্ম-দৰ্শনক প্ৰতিনিধিত্ব কৰি মহাপুৰুষীয়া ধৰ্মৰ ভেঁটি সুদৃঢ় কৰাত বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছে। গুৰুচৰিত কথাত এই প্ৰসঙ্গৰ উল্লেখ আছে যে কিদৰে শঙ্কৰমাধৱ দুয়োজনা গুৰুয়ে দশম-কীৰ্তন-ঘোষা-ৰত্নাৱলীৰ মহত্ত্ব লোকসমাজক ব্যক্ত কৰিলে।

> এদিন গুৰুজনে বোলে দশম কীৰ্তন গুৰুজনৰ মূৰ্ত্তিৰ সমান। ঘোষা ৰত্নাৱলী আমাৰ থাকিবাৰ থান। জাৰাসৰে ভক্তি কৰিব ঘোষাতে পাব।[২০]

মহেশ্বৰ নেওগে শঙ্কৰ-মাধৱৰ উক্ত চাৰিখন পুথিৰ থূলক বিশিষ্টভাৱে সন্মানিত কৰিছে। তেওঁ উল্লেখ কৰিছে—

> On another occassions he expressed : The Dasama (-skandha of the Bhagawat in Sankara's rendering) and the kirton (-ghosha) are the im-

২০. মহেশ্বৰ নেওগ (সম্পা.), *গুৰুচৰিত কথা* - পৃ. ২৯৫

> age of the master (Sankara) and the (Nama-) ghosha and (Bhakti-) ratnavali are my above the two principal works each of Sankara and Madhava thus came to stand for the saints, who were no more.[২১]

লক্ষ্মীনাথ বেজবৰুৱাইও মহাপুৰুষীয়া ধৰ্মৰ চাৰিখন ঘাই গ্ৰন্থ হিচাপে উক্ত গ্ৰন্থকেইখনলৈকে আঙুলিয়াইছে। তেওঁ উল্লেখ কৰিছে যে কীৰ্তন-ঘোষা বাৰস্কন্ধ ভাগৱতৰ সংক্ষিপ্তসাৰ। এই পুথিৰ জৰিয়তে নৱবৈষ্ণৱ ধৰ্মৰ সমস্ত তত্ত্ব নিহিত ৰাখি শঙ্কৰদেৱে ভগৱানৰ এক মানস মূৰ্তি মানুহৰ অন্তৰত জগাই তুলিবলৈ সক্ষম হ'ল। অন্যান্য কেউখন গ্ৰন্থতে ভক্তিধৰ্মতত্ত্বৰ মূলাংশ সন্নিবিষ্ট কৰাৰ বাবে সমাজত মহাপুৰুষীয়া ধৰ্মৰ স্থিতি দৃঢ় হ'ল। মহাপুৰুষ দুজনাৰ অৱৰ্তমানত চাৰিওখন পবিত্ৰ পুথিৰ মূলটিয়ে অসমীয়া লোকসমাজৰ 'চাৰিপুথিৰ' ধাৰণা সুদৃঢ় কৰিলে। নিঃসন্দেহে সবাতোকৈ জনপ্ৰিয় হ'ল কীৰ্তন পুথি। এই পুথিয়ে নামঘৰ আৰু ব্যক্তিগত গৃহৰ গোঁসাই-থাপনাত সুউচ্চ স্থান লাভ কৰি আহিছে। এই ধাৰণাৰ পৰাই অসমীয়া লোকজীৱনৰ দৈনন্দিন (ব্যক্তিগত আৰু ৰাজহুৱা) ব্যৱহাৰত কীৰ্তন-ঘোষাৰ প্ৰভাৱ বিস্তৰ হৈ পৰিছে। ব্যক্তি বিশেষৰ গৃহত গোঁসাই ঘৰৰ থাপনাত প্ৰধানভাৱে কীৰ্তন-ঘোষা অভিষিক্ত কৰি প্ৰাৰ্থনা কৰা হয়। জন্ম, মৃত্যু, বিবাহ- ইত্যাদি বিশেষ উপলক্ষ্যত স্ব-গৃহত কীৰ্তন-ঘোষাৰ নিৰ্দিষ্ট খণ্ডৰ পাঠ-প্ৰসঙ্গ কৰা হয়। সেইদৰে ৰাজহুৱাভাৱেও কীৰ্তন-ঘোষাই চৈধ্য-প্ৰসঙ্গৰ মাধ্যমেৰে নামঘৰ-সত্ৰানুষ্ঠান বিশেষ স্থান গ্ৰহণ কৰি আহিছে। নামঘৰত প্ৰাৰম্ভিক অৱস্থাৰ পৰা নিত্য প্ৰসঙ্গৰ লগে লগে নৈমিত্তিক প্ৰসঙ্গৰ চৰ্চায়ো চলি আহিছে। ফাকুৱা বা দৌলোৎসৱ, জন্মযাত্ৰা বা পঁচতি উৎসৱ, শ্ৰীকৃষ্ণৰ লগত সম্পৰ্কিত বিভিন্ন উৎসৱ, নাম-কীৰ্তন, ভাওনা-সমাৰোহ নামঘৰত পালন কৰি অহা হৈছে। এইসমূহ বেছি পৰিমাণে ভক্তিৰসসিক্ত কৰিছে প্ৰতি অনুষ্ঠানৰ লগতে অৱশ্য পালনীয় কীৰ্তন-ঘোষাৰ নাম-প্ৰসঙ্গই।

কীৰ্তন-ঘোষাৰ নাম-প্ৰসঙ্গৰ দ্বাৰাই গ্ৰামাঞ্চল বহু পৰিমাণে চহৰাঞ্চলো সামাজিক গণ সংযোগৰ অন্যতম কেন্দ্ৰস্থল হৈ উঠিছে। পুৰণি অসমীয়া সমাজত নামঘৰক ধৰ্মচৰ্চা আৰু সাহিত্য-সংস্কৃতিৰ উত্তৰণৰ কেন্দ্ৰ হিচাপে গ্ৰহণ কৰাৰ লগতে বিভিন্ন ধৰণৰ ৰাজহুৱা মেল নামঘৰতেই অনুষ্ঠিত কৰা হৈছিল। এনেধৰণৰ ৰাজহুৱা মেলত গাঁৱৰ কোনোবা মানুহে গহীন বিধৰ জগৰ লগালে তেওঁৰ ওপৰত বিচাৰ সোধা হৈছিল। তেতিয়া জগৰীয়াজনে তামোল-পাণৰ বঁটা-শৰাই আগবঢ়াই থাপনাৰ কীৰ্তন-ঘোষা সেৱা কৰি মেলুৱৈ ৰাইজৰ আগত দোষ মৰিষণৰ বাবে প্ৰাৰ্থনা জনায়। নিজৰ নিৰ্দোষিতা প্ৰমাণৰ বাবেও কীৰ্তন চুই শপত খাব লগা হয়।

---

২১. Moheswar Neog, *Sankardeva And His Times : Early History of the Vaisnava Faith and Movement in Assam. P.- 319*

সেইদৰে বৰ্তমান সময়তো নামঘৰত ৰাজহুৱা সমাজ পাতি, কীৰ্তন পাঠ কৰি খণ্ডসমূহৰ ৰসাল ভাঙনি কৰি নামঘৰৰ চৌপাশ লোকমনোৰঞ্জন আৰু শিক্ষণীয় বিষয় হিচাপে কীৰ্তন-ঘোষাৰ ধৰ্মতত্ত্ব আৰু ভক্তিতত্ত্বৰ আলোচনাই লোকজীৱন সমৃদ্ধ কৰি আহিছে। বিশেষকৈ 'শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ-প্ৰয়াণ' খণ্ডত উল্লেখ থকা 'সমস্ত ভূততে ব্যাপি আছো মই হৰি,/সবাকো মানিবা তুমি বিষ্ণু বুদ্ধি কৰি' —ভাবাদৰ্শৰ আত্মিক বিশ্লেষণে অসমীয়া লোকমানসক উদাৰ ভাবাপন্ন কৰি তুলিছে। শঙ্কৰদেৱৰ সকলো স্তৰৰ মানুহৰ প্ৰতি থকা সম-মৰ্যাদাৰ ধাৰণা কীৰ্তন-ঘোষাত স্পষ্ট হৈ উঠিছে। সেইবাবেই অসমীয়া লোকসমাজত জাতি-ভেদ প্ৰথা বা অস্পৃশ্যতাৰ ধাৰণা ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ তুলনাত যথেষ্ট পৰিমাণে কম। অসমীয়া মানুহৰ দৈনন্দিন জীৱন যাত্ৰাত পথাৰত হাল বাওঁতে, চোতালত মৰণা মাৰোঁতে, কুঁহিয়াৰ শালত চেনি পেৰোতে— বিভিন্ন কামৰ মাজত কীৰ্তনৰ ঘোষা-পদ গোৱাটো সহজাত প্ৰবৃত্তি হৈ পৰিল। কীৰ্তন-পুথিৰ পদ আওৰাই কৰ্মত ধৰিলে কঠিন শাৰীৰিক কষ্টও লাঘৱ হৈ পৰাৰ অনুভৱ অসমীয়াৰ হাড়ে-হিমজুয়ে সোমাই পৰিলে। তদুপৰি অসমীয়া মানুহে কথাই কথাই 'কীৰ্তন'ৰ উদ্ধৃতি দি কোৱা কথাই কথাৰ জোৰ বঢ়ায়। কীৰ্তন-ঘোষাৰ 'শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ' খণ্ডৰ অন্তৰ্গত চতুৰ্থ কীৰ্তনৰ মাজত শঙ্কৰদেৱৰ ধৰ্ম দৰ্শনৰ মূলতত্ত্ব স্পষ্টকৈ ফুটি উঠিছে। আৰু প্ৰধানকৈ এই খণ্ডৰ পৰাই গ্ৰাম্য সমাজত দুজন বা তাতোধিক বয়োজ্যেষ্ঠ মানুহৰ কথোপ-কথনৰ মাজত উদ্ধৃতি দিয়া দেখা যায়। তদুপৰি অসমীয়া গ্ৰাৰ্হস্থ্য জীৱনত শিশুৰ বিকাশ আৰু নৈতিকতা গঠনত কীৰ্তন-ঘোষাৰ আলমত ৰচিত বিভিন্ন সাধুকথাই গুৰুত্বপূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰি আহিছে। ককা-আইতা আৰু নাতিৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰত সাধুকথাসমূহে বিশেষ ভূমিকা গ্ৰহণ কৰে। ককা-আইতাই কোৱা সাধুত কীৰ্তনৰ বিভিন্ন ৰসাল কাহিনী যেনে- প্ৰ াদ চৰিত্ৰ, শ্ৰীকৃষ্ণৰ শিশু লীলা আদিৰ প্ৰসঙ্গই স্থান লাভ কৰি আহিছে। সেইদৰে একোটা চুবুৰীত বয়োবৃদ্ধ সকলৰ পৰা কীৰ্তনৰ কাহিনী শুনিবলৈ শীতকালি সন্ধিয়া জুহাল বা জহকালি চোতালত কথাৰ মেল পতা হয়। মহিলাৰ সমাজতো নামতি মহিলাৰ পৰা আজৰি সময়ত গীত-পদ শুনাৰ আমেজ লক্ষণীয় বিষয়। গতিকে অৱসৰ বিনোদনৰ উপায় স্বৰূপে তথা আনন্দ লাভ আৰু শিক্ষণীয় দিশৰ বাবেও কীৰ্তন-ঘোষাৰ প্ৰয়োগ অসমীয়া সমাজত সদায় হৈ আহিছে।